Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 25, 2025 ■ শুকুৰবাৰ, ১১ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১৭ Guwahati, Assam ।। মূল্যঃ এটকা

## জল জীৱনত এতিয়া অথন্তৰ

■ শোণিত কুমাৰ গোস্বামী



শাণিত কলম

দেশবাসীৰ বাবে খাদ্য নলেৰে পানী যোগানৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে ২০১৯ চনত আৰম্ভ কৰা জল জীৱন ২ নং পৃষ্ঠাত



নতুন দিল্লীত পেহেলগামৰ ঘটনাক লৈ সৰ্বদলীয় বৈঠক, চৰকাৰক সহযোগৰ প্ৰস্তাৱ বিৰোধীৰ

## পাকিস্তানক সমৰ্থন কৰিলে কঠোৰ শাস্তি

ই-সংবাদ, ২৪ এপ্ৰিলঃ আজি দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এখন ৩ নং পৃষ্ঠাত

## কাশ্মীৰ এতিয়া নিমাওমাও, পথত নাই জনসমাগম

শ্ৰীনগৰ, ২৪ এপ্ৰিলঃ সময় বৰ নিষ্ঠুৰ! তিনি দিন আগতে প্ৰেম আৰু প্ৰকৃতিয়ে একেলগে কলৰৱ ৭ পৃষ্ঠাত

## উধমপুৰত শ্বহীদ হ'ল সেনা জোৱান বাণ্টু আলী শ্বেখ

শ্ৰীনগৰ, ২৪ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাত সন্ত্ৰাসবাদবিৰোধী অভিযানৰ সময়ত ভাৰতীয় ৪ নং পৃষ্ঠাত

### বিহাৰৰ মধুবনীৰ পৰা দেশবাসীক আশ্বাস প্ৰধানমন্ত্ৰীৰ

# আক্ৰমণকাৰীয়ে পাব অকল্পনীয় কঠোৰ শাস্তি!

### চৰকাৰৰ সিদ্ধান্তলৈ বিৰোধীৰ সমৰ্থন

মধুবনী, ২৪ এপ্ৰিলঃ "এয়া কেৱল নিৰস্ত্ৰ পৰ্যটকৰ ওপৰত আক্ৰমণ নহয়, এই ৰাষ্ট্ৰবিৰোধীসকলে ভাৰতৰ আত্মাক আক্ৰমণ কৰাৰ সাহস কৰিছে।" - ৩ নং পৃষ্ঠাত



বিহাৰৰ মধুবনীত প্ৰধানমন্ত্ৰী মোদী

## এনকাউণ্টাৰ, হত্যাকাৰী আব্দুল হ'ল গুলীবিদ্ধ

ই-সংবাদ, পশ্চিম যোৰহাট, ২৪ এপ্ৰিলঃ পুনৰ ৰাজ্যত সংঘটিত হ'ল ৪ নং পৃষ্ঠাত

## পাকিস্তানৰ আকাশত নিষিদ্ধ ভাৰতীয় বিমান

নতুন দিল্লী, ২৪ এপ্ৰিলঃ কাশ্মীৰৰ পেহেলগামত সংঘটিত ভয়ানক ৮ পৃষ্ঠাত

## হাইঠা মাটিত! সীমান্ত ঠাকুৰীয়াই খুজিলে ক্ষমা

ই-সংবাদ, ২৪ এপ্ৰিলঃ ১০ দিনৰ মূৰকত হাইঠা মাটিত পৰিল। চানমাৰিৰ ৭ পৃষ্ঠাত

## হোজাইত মুখ্যমন্ত্ৰীৰ প্ৰচাৰ, এক হৈ থাকিলে সুৰক্ষিত হ'ব হিন্দু!

ই-সংবাদ, ২৪ এপ্ৰিলঃ আজি মধ্য অসমৰ হোজাই জিলাত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। শ্ৰীমন্ত ৪ পৃষ্ঠাত



## ৰীতমক সাক্ষাৎ চাপ্ৰাৰ

মৰিগাঁও, ২৪ এপ্ৰিলঃ টুইটৰ মাধ্যমেৰে চৰকাৰক সমালোচনা কৰাৰ বাবেই ৮ পৃষ্ঠাত চাওক

## সন্ত্ৰাসৰোধত ব্যৰ্থতা, প্ৰতিবাদ

ই-সংবাদ, ২৪ এপ্ৰিলঃ পেহেলগাম ঘটনাৰ বিৰুদ্ধে গুৱাহাটীৰ শেষাংশ ৮ পৃষ্ঠাত

## ধন্যবাদ নাজকত ভাই! প্ৰাণ ৰক্ষা কৰা কাশ্মীৰি মুছলমানৰ ফটো পোষ্ট বিজেপি নেতাৰ

ই-সংবাদ, ২৪ এপ্ৰিলঃ মঙলবাৰে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত সমগ্ৰ দেশতে একাংশ বিজেপি নেতা তথা হিন্দুত্ববাদী শিবিৰে শেষাংশ ৫ পৃষ্ঠাত



## সীমান্ত অতিক্ৰম, পাকিস্তান পালেগৈ বিএছএফ জোৱান

### ঘূৰাই আনিবলৈ তৎপৰ চৰকাৰ

নতুন দিল্লী, ২৪ এপ্ৰিলঃ পেহেলগামৰ ঘটনাৰ মাজতে দুৰ্ঘটনাক্ৰমে সীমান্ত অতিক্ৰম কৰি পাকিস্তান পালেগৈ বিএছএফৰ এজন জোৱান। পঞ্জাৱৰ ফিৰোজপুৰৰ ওচৰত ২ পৃষ্ঠাত চাওক

### ধিঙৰ বিধায়কৰ কাণ্ডক লৈ স্তম্ভিত সকলো

## সন্ত্ৰাসবাদীৰ আক্ৰমণক লৈ মন্তব্য, পুনৰ জেললৈ আমিনুল

ই-সংবাদ, বেৰেজীয়া, ২৪ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে কৰা নৃশংস হত্যাকাণ্ড সন্দৰ্ভত বিতৰ্কিত ৩ পৃষ্ঠাত চাওক



## যোৰহাট পুনৰ সংঘটিত নৃশংস হত্যাকাণ্ড

### হত্যাকাৰী ৰূপত পিতা-পুত্ৰ

ই-সংবাদ, পশ্চিম যোৰহাট, ২৪ এপ্ৰিলঃ পুনৰ নৃশংস ঘটনা সংঘটিত হৈছে যোৰহাট জিলাত। ২০ এপ্ৰিলৰ নিশা ৩ নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# জল জীৱনত এতিয়া অথন্তৰ

মিছনে এতিয়াও সম্পূৰ্ণ হোৱাৰ নাম লোৱা নাই। ২০২৪ চনত নিৰ্ধাৰিত লক্ষ্যত উপনীত হৈ কাম সম্পূৰ্ণ কৰিম বুলি প্ৰতিশ্ৰুতি দিলেও ২০২৫ চনলৈ কেৱল ৭৫ শতাংশহে কাম সম্পূৰ্ণ হৈছে। বিৰহৰ কাৰণ এয়াই যে অসমত ঘৰ ঘৰ জল আঁচনিয়ে এতিয়াও ইপ্সিত লক্ষ্যত উপনীত হ'বগৈ পৰা নাই। অলপতে বিধানসভাৰ মজিয়াত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই দুখ প্ৰকাশ কৰি কৈছে যে বাজেটৰ অভাৱত ঠিকাদাৰক ধন দিব নোৱাৰা বা অন্য আন্তঃগাঁথনিমূলক কামবোৰ সম্পূৰ্ণ নোহোৱাৰ বাবেই জল জীৱন মিছনে ৰাজ্যত সফলতা পোৱা নাই।

উল্লেখ্য যে ২০১৯ চনত এই ঘৰ ঘৰ জল প্ৰকল্প আৰম্ভ কৰাৰ সময়ত কেন্দ্ৰ চৰকাৰৰ খৰচ বিত্ত সমিতি চমুকৈ ইএফচিয়ে (expenditure finance committee) জল জীৱনৰ মুঠ প্ৰকল্প ব্যয় ৩.৬ লাখ টকা নিৰ্ধাৰণ কৰিছিল। কিন্তু জল শক্তি মন্ত্ৰণালয়ে এই প্ৰকল্পৰ বাবে ৭.৮৯ লাখ কোটি টকা বিচাৰিছিল। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ ইএফচিয়ে ৩.৬ লাখ কোটি টকা নিৰ্ধাৰণ কৰাৰ বিপৰীতে জল জীৱন মিছনৰ ৱেবচাইট ডেশ্বব'ৰ্ডত দেখুৱাৰ মতে ৰাজ্য চৰকাৰবোৰে পাঁচটা বছৰত (২০১৯-২০২৪) জল জীৱনৰ নামত ৮.০৭ লাখ কোটি টকা অনুমোদন কৰাইছে।

দেশজুৰি থকা ১৬ খন বিজেপি শাসিত ৰাজ্যৰ বাবেই কেন্দ্ৰ চৰকাৰৰ অনিচ্ছাস্বত্বেও নিৰ্ধাৰিত ধনৰ পৰিমাণতকৈ অধিক পৰিমাণৰ ধন অনুমোদিত হৈছে বুলি ইয়াৰ জৰিয়তে চৰ্চা লাভ কৰিছে। নিৰ্ধাৰিত পৰিমাণতকৈ অধিক ধনৰাশি এনেকৈ মুকলি হোৱাৰ বাবেই এতিয়া Expenditure Finance Committeeৰ সচিব পৰ্যায়ৰ পেনেলে জল শক্তি মন্ত্ৰণালয়ৰ এই জল জীৱন মিছনৰ বাবে নিৰ্ধাৰিত পুঁজিৰ লগতে নতুনকৈ আৱন্টিত হ'বলগীয়া পুঁজিৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰি ৪৬ শতাংশ কৰ্তনৰ সিদ্ধান্ত লৈছে। ইয়াৰ ফলত এতিয়া জল জীৱনৰ খৰচ ৰাজ্য চৰকাৰবোৰে নিজে বহন কৰিব লাগিব।

বিগত পাঁচটা বছৰত ৭৫ শতাংশ কাম হোৱা বা ১৫ কোটিতকৈও অধিক ঘৰলৈ নলৰ জৰিয়তে পানী যোগান হোৱাৰ পাছতো এতিয়াও ৩.৯৬ কোটি ঘৰলৈ পানী যোগান দিবলৈ বাকী আছে। তেনে প্ৰেক্ষাপটত ২০২৮ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ জল শক্তি মন্ত্ৰণালয়ে অতিৰিক্ত ২.৭৯ লাখ কোটি টকাৰ কেন্দ্ৰীয় পুঁজি বিচাৰিছে কিন্তু ইএফচি কমিটীয়ে লোৱা সিদ্ধান্ত অনুসৰি এই পৰিমাণৰ আধা অংশহে কিজানি এতিয়া কেন্দ্ৰীয় পুঁজি হিচাপে অনুমোদিত কৰা হ'ব।

এইখিনিতে মন কৰিবলগীয়া কথা এয়াই যে জল জীৱন প্ৰকল্পৰ অধীনত অসম, বিহাৰ (নিৰ্বাচন সমাগত), মহাৰাষ্ট্ৰ, তামিলনাডুত ৩২,৩৬৪ কোটিৰ কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে। ইয়াৰ বাবে প্ৰয়োজনীয় ধন ৰাজ্য পৰ্যায়ৰ প্ৰকল্প অনুমোদন কমিটীৰ দ্বাৰা অনুমোদিত হোৱা নাই। শেহতীয়া সিদ্ধান্ত অনুসৰি উক্ত ধনৰ আধা ধন ১৭,৩৪৮ কোটি টকা এতিয়া ৰাজ্য চৰকাৰবোৰে বহন কৰিবলগীয়া হ'ব পাৰে। ঘৰ ঘৰ জল আঁচনিৰ অধীনত প্ৰকল্প সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কাম ৫০ঃ৫০ হাৰত সম্পন্ন কৰাৰ চুক্তি হৈছিল।

নিৰ্ধাৰিত প্ৰকল্প ব্যয়তকৈ দুগুণ পৰিমাণৰ ধন অনুমোদন দি এতিয়া স্বয়ং কেন্দ্ৰ চৰকাৰ শলঠেকত পৰিছে। বিজেপি শাসিত ৰাজ্য চৰকাৰবোৰেও প্ৰতিশ্ৰুতি অনুসৰি এতিয়া প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰি উপায়বিহীন হৈ পৰিছে।২০১৯ চনত নিৰ্ধাৰিত ঘৰ ঘৰ জল আঁচনিৰ বাবে কেন্দ্ৰই খৰচৰ পৰিমাণ যি ৰাখিছিল সেয়া এতিয়া নিমিলা অংক হৈ পৰিছে। কিয়নো ইএফচিয়ে ৩.৬ লাখ কোটি টকা খৰচৰ বিপৰীতে ৮.০৭ লাখ টকাৰ খৰচ কৰি এতিয়া কেন্দ্ৰীয় জল মন্ত্ৰণালয়ে স্বয়ং বিত্ত কমিটীৰ ওচৰত হাত পাতি থাকিবলগীয়া হৈছে। শেহতীয়াকৈ জল শক্তি মন্ত্ৰণালয়ে ২০২৮ৰ ভিতৰত সমগ্ৰ দেশত ১৯.৩৬ কোটি ঘৰত নলেৰে পানী যোগান আঁচনি সম্পূৰ্ণ কৰিবলৈ পুনৰাই অতিৰিক্ত ২.৭৯ লাখ কোটি টকা বিচাৰিছে। ইএফচিয়ে এই ক্ষেত্ৰত এই পৰিমাণৰ আধা অৰ্থাৎ ১.৫১ লাখ কোটি মোকলাই দিয়াৰ ক্ষেত্ৰত ঐক্যমতত উপনীত হৈছে।

সেই হিচাপত দেশত ১৯.৩৬ কোটি ঘৰলৈ নলৰ জৰিয়তে পানী যোগান আঁচনিত কেন্দ্ৰৰ হিচাপমতে মুঠ ৩.৫৯ লাখ কোটি টকাহে হয়। ২০১৯ৰ নিৰ্দেশাৱলী অনুসৰি প্ৰতিটো সংযোগৰ হিচাপ ৪৭০০০ কৈ ধৰিলে মুঠ ১৯.৩৬ কোটিত মুঠ ৩.৫৯ লাখ কোটি হয়। কেন্দ্ৰই ২০১৯-২০২৪ৰ ভিতৰত ইতিমধ্যে ২.০৮ লাখ টকা আৱন্টিন দিছে আৰু ২০২৪-২৮ৰ ভিতৰত ১.৫১ লাখ কোটি টকাহে মোকলাই দিব।

অন্যহাতে কাৰ্যক্ষেত্ৰত কেন্দ্ৰৰ অংশকৈ অধিক খৰচ হোৱা প্ৰকল্প ব্যয়ৰ অংক মিলাবলৈ এতিয়া ৰাজ্য চৰকাৰবোৰে অতিৰিক্ত ধন খৰচ কৰিব লাগিব। এনে কৰিলেহে চৰকাৰৰ ঘৰ ঘৰ জল আঁচনি সফল হৈ পৰিব অন্যথ্য সেয়া আধাৰুৱা হৈ ৰব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সীমান্ত অতিক্ৰম, পাকিস্তান পালেগৈ

সীমান্ত পাৰ হোৱাৰ পিছত পাকিস্তানী ৰেঞ্জাৰে পি কে সিং নামৰ এজন বিএছএফ জোৱানক বন্দী কৰে। তেওঁ বুধবাৰৰ দিনা কেইজনমান কৃষকৰ সৈতে এডোখৰ ছাঁ পৰা ঠাইত জিৰণি ল'বলৈ গৈছিল আৰু পাকিস্তানী ৰেঞ্জাৰসকলে তেওঁক সেই স্থানৰ পৰা বন্দী কৰে। ভাৰতীয় বিষয়াসকলে তেওঁ সুৰক্ষিতভাৱে উভতি অহাটো নিশ্চিত কৰিবলৈ এখন ফ্লেগ মীটৰ আহ্বান কৰিছে। পি কে সিং ফিৰোজপুৰ খণ্ডৰ আন্তৰ্জাতিক সীমান্তত নিযুক্ত আছিল। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰত আৰু পাকিস্তানৰ মাজত বৰ্ধিত উত্তেজনাৰ মাজতে ঘটা এই ঘটনাটোৱে স্বাভাৱিকতে উদ্বেগৰ সৃষ্টি কৰিছে। সেনাৰ সূত্ৰ অনুসৰি দুয়োপক্ষৰ মাজত আলোচনা চলি আছে। সৈনিকজনক এতিয়াও দেশলৈ ঘূৰাই অনা হোৱা নাই। কিন্তু ভাৰতীয় সেনাই নিশ্চিত কৰিবলৈ চেষ্টা কৰি আছে যে তেওঁ যাতে সুস্থ আৰু স্বাভাৱিক অৱস্থাত ঘূৰি আহিব পাৰে। অৱশ্যে সেনাৰ এটা সূত্ৰই দাবী কৰিছে যে সৈনিকসকলে ভুলবশতঃ সীমান্ত অতিক্ৰম কৰাৰ ঘটনা নতুন বা অস্বাভাৱিক নহয়। এনে ক্ষেত্ৰত সমস্যাটো দুয়োপক্ষৰ মাজত আলোচনাৰ জৰিয়তে সমাধান কৰা হয়। উল্লেখ্য, ২২ এপ্ৰিলত পেহেলগামৰ বাইচাৰনত ছুটী উপভোগ কৰি থকা অৱস্থাত ইছলামিক সন্ত্ৰাসবাদীয়ে ২৬ জন হিন্দু পৰ্যটকক নিৰ্মমভাৱে হত্যা কৰিছিল। ঘটনাটোৰ পিছত সম্প্ৰতি ভাৰতে আটাৰী সীমান্তৰ গে'ট ক্ৰছিং বন্ধ কৰিছে, সিন্ধু জল চুক্তি স্থগিত কৰিছে আৰু বৰ্তমান ভাৰতত থকা সকলো পাকিস্তানী নাগৰিকৰ ভিছা প্ৰত্যাহাৰ কৰিছে। সকলো পাকিস্তানীক ২৭ এপ্ৰিলৰ ভিতৰত দেশ এৰি যাবলৈ কোৱা হৈছে।

# পেহেলগাম কাণ্ডক তীব্ৰ গৰিহণা গেলেকী প্ৰেছ ক্লাবৰ

**ই-সংবাদ, গেলেকী, ২৪ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামৰ নৃশংস হত্যাকাণ্ডৰ ঘটনাক তীব্ৰ গৰিহণা দিছে গেলেকীৰ প্ৰেছ ক্লাবে। আজি গেলেকী প্ৰেছ ক্লাবত এক সংবাদমেলৰ আয়োজন কৰি উক্ত নৃশংস আৰু বৰ্বৰ ঘটনাক তীব্ৰ গৰিহণা দিছে গেলেকী প্ৰেছ ক্লাবে। উল্লেখযোগ্য যে বহু পৰ্যটকে যোৱা ২২ এপ্ৰিলত পৰ্যটনস্থলী হিচাপে খ্যাত পেহেলগামত প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি থকা সময়ত বন্দুকধাৰী উগ্ৰপন্থীৰ নিবিচাৰ গুলীচালনাত থিতাতে নিহত হয় ২৬ জনকৈ পৰ্যটক। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ যোৱা পৰ্যটকৰ ওপৰত বৰ্বৰভাৱে চলোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণৰ এই ঘটনাক গেলেকী প্ৰেছ ক্লাবে সংবাদমেলৰ আয়োজন কৰি সন্ত্ৰাসবাদীৰ এই কাৰ্যক ধিক্কাৰ দি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়। নৃশংস হত্যাকাণ্ডত নিহতসকলৰ আত্মাৰ সদগতিৰ কামনা কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। সংবাদমেলত উপস্থিত আছিল গেলেকী প্ৰেছ ক্লাবৰ উপদেষ্টা সুৰেশ চেতিয়া, ৰবীন বৰঠাকুৰ, আব্দুল হেলিম, ৰেকিবুল হুছেইন, সভাপতি ৱাহিদ আলী, উপ-সভাপতি গুণ মৰাণ, সম্পাদক হাফিজ আলী।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আক্ৰমণকাৰীয়ে পাব অকল্পনীয় কঠোৰ

এইদৰেই কাশ্মীৰৰ পেহেলগামত ২৬ জন পৰ্যটকৰ হত্যাক লৈ ক্ষোভ উজাৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। মঙলবাৰে বিহাৰৰ মধুবনীৰ পৰা মোদীয়ে প্ৰথমবাৰৰ বাবে দেশবাসীক সম্বোধন কৰে। মোদীয়ে কয়, "যিসকলে আপোনজনক হেৰুৱাইছে- কাৰোবাৰ পুত্ৰ, কাৰোবাৰ ভাতৃ, কাৰোবাৰ স্বামী... এইসকল কেৱল এখন ৰাজ্যৰ নহয়, পশ্চিমবংগ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, গুজৰাট, ওড়িশা, বিহাৰৰ- ভাৰতৰ প্ৰতিটো চুক-কোণৰ প্ৰতিনিধি। আজি কাৰ্গিলৰ পৰা কন্যাকুমাৰীলৈকে দেশৰ ক্ষোভ আৰু বেদনা এক।" মোদীয়ে কয়, "মই বিহাৰৰ মাটিৰ পৰা সমগ্ৰ বিশ্বক ক'ব বিচাৰোঁ- ভাৰতে প্ৰতিজন আক্ৰমণকাৰী আৰু তেওঁলোকৰ গডফাদাৰক বিচাৰি উলিয়াই চিনাক্ত কৰিব আৰু তেওঁলোকে কল্পনাও কৰিব নোৱাৰা শাস্তি দিব। আমি তেওঁলোকক পৃথিৱীৰ মূৰলৈকে খেদি পঠিয়াম। এই আক্ৰমণকাৰী বাচি নাথাকিব, মানৱতাৰ পক্ষত থিয় দিয়া সকলো মানুহ আজি ভাৰতৰ লগত আছে।" মোদীয়ে আৰু কয়, "আজি অপেক্ষাৰ সময় নহয়। এইবাৰ আক্ৰমণৰ পৰিকল্পনা কৰা, এনে জঘন্য কাৰ্য সংঘটিত কৰাসকলৰ শেষ লেশ-জোখো মচি পেলোৱাৰ সময় আহি পৰিছে। ভাৰতে এই অপৰাধীসকলক কেতিয়াও ক্ষমা নকৰে। ন্যায়ৰ বাবে যি প্ৰয়োজনীয় সেয়াই হ'ব। ১৪০ কোটিতকৈ অধিক দেশবাসীৰ দৃঢ়তাই এই সন্ত্ৰাসবাদৰ মেৰুদণ্ড ভাঙি পেলাব।" ইফালে পাকিস্তানৰ বিৰুদ্ধেও সৰব হৈ পৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তেওঁৰ ভাষাত, "এই আক্ৰমণৰ আঁৰত থকাসকল গম পোৱা যাব। আই এছ আই হওক, পাকিস্তানৰ সেনা বা আন কোনো সন্ত্ৰাসবাদী সংগঠন হওক, এইবাৰ কাকো ৰেহাই দিয়া নহ'ব। সমগ্ৰ বিশ্বৰ পৰা মানৱতাক বিশ্বাস কৰাসকলে আজি ভাৰতৰ কাষত থিয় দিছে। আৰু যিসকল সন্ত্ৰাসবাদীৰ পক্ষত আছে, তেওঁলোকে সাৱধান হওক- ভাৰত এইবাৰ সাজু, কোনেও ৰেহাই নাপায়।" লগতে মোদীৰ ভাষণত সমগ্ৰ দেশৰ আবেগ প্ৰতিফলিত হয়। তেওঁ স্পষ্ট কৰি দিয়ে, "দেশবাসীৰ ক্ষোভ আৰু বেদনা মই বুজি পাওঁ। দেশৰ জনসাধাৰণে বোওৱা প্ৰতিটোপাল তেজৰ হিচাপ দিব লাগিব। যিসকলে এই আক্ৰমণৰ পৰিকল্পনা কৰিছিল, যিসকল জড়িত হৈ আছে, তেওঁলোক পৃথিৱীৰ যিকোনো ঠাইতে নাথাকক কিয়— ভাৰতে তেওঁলোকক বিচাৰি উলিয়াই উপযুক্ত শাস্তি দিব।" ইফালে সৰ্বদলীয় বৈঠকত সকলোৱে চৰকাৰক সমৰ্থন কৰাৰ কথা ঘোষণা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সন্ত্ৰাসবাদীৰ আক্ৰমণক লৈ মন্তব্য, পুনৰ

আৰু ৰাষ্ট্ৰবিৰোধী মন্তব্য প্ৰদান কৰি আৰক্ষীৰ জালত পৰিল এআইইউডিএফৰ ধিং বিধানসভা সমষ্টিৰ বহুবৰ্চ্চী বিধায়ক আমিনুল ইছলাম। আজি নগাঁও আৰক্ষীয়ে নগাঁও সদৰ আৰক্ষী থানাত এক গোচৰ ৰুজু কৰি বিধায়কজনক জিলাখনৰ জুৰীয়াৰ পৰমাইভেটিৰ নিজ বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰি নগাঁও সদৰ আৰক্ষী থানালৈ আনে। নগাঁও আৰক্ষী থানাত ৩৪৭/২৫ নম্বৰত গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ ১৫২/১৯৬/১৯৭(১)/১১৩(৩)/৩৫২/২৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। পেহেলগামৰ নৃশংস হত্যাকাণ্ড সন্দৰ্ভত ৰাষ্ট্ৰবিৰোধী মন্তব্য দি বিতৰ্কিত বিধায়ক আমিনুল ইছলামে পূৰ্বৰ পুলবামা কাণ্ডৰ প্ৰসংগ উল্লেখ কৰি কয় যে পুলবামা কাণ্ডৰ তদন্ত নহ'ল। তেতিয়াই আমি তদন্ত বিচাৰিছিলো। তেওঁ লগতে পুলবামা কাণ্ড সংঘটিত কৰা চক্ৰটোৱেই পেহেলগামৰ ঘটনা সংঘটিত কৰা বুলিও বিতৰ্কিত মন্তব্য কৰিছিল। পুলবামা কাণ্ড আৰু পেহেলগাম কাণ্ড প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ সৃষ্ট বুলি ৰাষ্ট্ৰবিৰোধী মন্তব্য কৰিছিল। পেহেলগামৰ ঘটনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ ষড়যন্ত্ৰ থকা বুলি প্ৰকাৰান্তৰে জগৰীয়া কৰিব বিচাৰে বিধায়ক ইছলামে। উল্লেখ্য যে ধিং সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ এখন সভাত বিধায়কজনে এই মন্তব্য কৰিছিল। বিধায়ক ইছলামৰ এই মন্তব্যৰ বিৰুদ্ধে ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। এই মন্তব্যৰ পিছতে বিধায়ক ইছলামৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈ সৰ্বত্ৰ দাবী উঠিছিল। ইয়াৰ পিছতে তৎপৰ হৈ পৰে নগাঁও আৰক্ষী। এই সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত এক গোচৰ ৰুজু কৰি নগাঁও আৰক্ষীয়ে আজি বিয়লি বিধায়ক ইছলামক তেওঁৰ নিজ বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে নগাঁও আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰাটো নিশ্চিত কৰিছে। বাতৰি লিখাৰ সময়লৈকে আৰক্ষীয়ে বিধায়ক ইছলামক সোধা-পোছা  অব্যাহত ৰাখিছে। ইয়াৰ আগতেও বিতৰ্কিত মন্তব্য কৰি বিধায়ক ইছলামে কাৰাবাস খাটিব লগা হৈছিল। ইপিনে বিধায়ক ইছলামক গ্ৰেপ্তাৰৰ পিছতে নগাঁৱৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই সংবাদ মাধ্যমৰ আগত বিধায়ক আমিনুল ইছলামক গ্ৰেপ্তাৰ কৰাটো নিশ্চিত কৰি কয় যে পেহেলগামৰ ঘটনাৰ পিছত বিধায়কজনে কৰা মন্তব্য দুৰ্ভাগ্যজনক। তেওঁৰ পৰা এনেধৰণৰ মন্তব্য আশা কৰা নাযায়। তেওঁৰ এই মন্তব্যক আমি অপৰাধ হিচাপে গণ্য কৰিছো আৰু আমি চিৰিয়াছলি লৈছোঁ। আমি সমগ্ৰ বিষয়টোৰ তদন্ত কৰি আছো। কাইলৈ আমি তেওঁক আদালতত হাজিৰ কৰাম। আজি সোধা-পোছা কৰি থকা হৈছে। আৰক্ষীয়ে তেওঁক জিম্মাত বিচাৰিব বুলি অধীক্ষকজনে জানিবলৈ দিয়ে।আৰক্ষীয়ে তেওঁৰ মবাইল ফোনটো জব্দ কৰাৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিয়ে। তেওঁৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিব। বিধায়কজনৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত আন এটা গোচৰ ৰুজু হৈছে বুলি জানিবলৈ দিয়ে আৰক্ষী অধীক্ষকজনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাট পুনৰ সংঘটিত নৃশংস হত্যাকাণ্ড

যোৰহাটৰ চন্দন নগৰত একাংশ উদণ্ড যুৱকে দেৱাংগ ভূষণ বৰুৱা নামৰ এজন নিৰীহ যুৱকক মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাৰ চাঞ্চল্য মাৰনৌযাওঁতেই আজি নিশা আন এক নৃশংস ঘটনা সংঘটিত হৈছে। এইবাৰ যোৰহাট জিলাৰ পুলিবৰ আৰক্ষী থানা এলেকাৰ পানী চকুৱাত এজন যুৱকক পিতা-পুত্ৰই নিৰ্মমভাৱে হত্যা কৰে। বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ লগতে যাঠি, খুকুৰি আদিৰে কৃষ্ণজ্যোতি শইকীয়াক হত্যা কৰে। পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাই কৃষ্ণজ্যোতি শইকীয়াক হত্যা কৰাৰ অভিযোগ উঠিছে। কৃষ্ণজ্যোতি শইকীয়াৰ বয়স আছিল মাথোঁ ২৩ বছৰ। এখন মেজিক চলাইছিল কৃষ্ণজ্যোতি শইকীয়াই। পুষ্পেন্দ্ৰ হাজৰিকা, ভৃগু হাজৰিকা আৰু কৃষ্ণজ্যোতি শইকীয়াৰ পৰিয়ালৰ দীৰ্ঘদিনীয়া সংঘাত আছিল। সময়ে সময়ে দুয়োটা পৰিয়ালৰ সংঘাত লাগি আহিছিল যদিও আজি সংঘাতে সকলো সীমা অতিক্ৰম কৰে। পিতা-পুত্ৰ পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাই পানীচকুৱা বজাৰৰ সমীপত পথৰ দাঁতিত কৃষ্ণজ্যোতি শইকীয়াক যাঠি, খুকুৰি আদৰে আক্ৰমণ কৰি হত্যা কৰে। ঘটনাৰ পিছতে ৰাইজ ৰাজপথলৈ ওলাই আহে। এ টি ৰোড অৱৰোধ কৰি ৰাইজে অভিযুক্তক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহাৰ দাবী উত্থাপন কৰে। আৰক্ষীয়ে খবৰ লাভৰ পিছতে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। জানিব পৰা মতে, ফেব্ৰুৱাৰী মাহত কৃষ্ণজ্যোতি শইকীয়াৰ ভাতৃ পঞ্চজ্যোতি শইকীয়া এক পথ দুৰ্ঘটনাত পতিত হৈছিল। পুষ্পেন্দ্ৰ হাজৰিকাৰ ঘৰৰ সন্মুখত তেওঁৰ ঘৰৰ এগৰাকী মহিলা হঠাতে ৰাস্তালৈ ওলাই অহাত দুৰ্ঘটনা সংঘটিত কৰে কৃষ্ণজ্যোতি শইকীয়াৰ ভাতৃ পঞ্চজ্যোতি শইকীয়াই। তাৰ পিছৰে পৰা দুয়োটা পৰিয়ালৰ মাজত সংঘাত অব্যাহত আছে। উল্লেখ্য যে, পুষ্পেন্দ্ৰৰ বিৰুদ্ধে ডকাইতিৰো অভিযোগ আছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হোজাইত মুখ্যমন্ত্ৰীৰ প্ৰচাৰ, এক হৈ

শংকৰদেৱৰ নগৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ সভা সম্বোধন কৰি পঞ্চায়তত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ ভোট বিচাৰে। মুখ্যমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ ধাৰা অব্যাহত থাকিব আৰু এইবাৰ পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে বৃহৎ বিজয় সাব্যস্ত কৰিব বুলি দাবী কৰে। মুখ্যমন্ত্ৰীয়ে বিভিন্ন আঁচনি ৰূপায়ণৰ কথা উল্লেখ কৰি বিজেপিৰ প্ৰাৰ্থী এগৰাকী সংখ্যালঘু মহিলাক মঞ্চলৈ মাতি ভোট দিয়াৰ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ভাষণৰ মাজতে পেহেলগামত নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি পাক সন্ত্ৰাসবাদীক নিঃশেষ কৰিবলৈ ভগৱানে প্ৰধানমন্ত্ৰী মোদীক শক্তি দিয়াৰ কামনা কৰে। দেশৰ ভিতৰত থকা পাকিস্তানৰ দালালবোৰকো খতম কৰিব লাগে বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ মাজত একাংশই পাকিস্তানৰ সমৰ্থনত প্ৰচাৰ কৰি আছে। অসমৰ মাটিত থাকি যিসকলে পাকিস্তানৰ দালালি কৰিব তেওঁলোকক এৰি দিয়া নহ'ব। হিন্দু হোৱাটো অপৰাধ নেকি বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে হিন্দু হোৱাৰ বাবেই সন্ত্ৰাসবাদীয়ে হত্যা কৰাৰ প্ৰসংগ উল্লেখ কৰি কয় যে কাশ্মীৰত ধৰ্ম কি বুলি সুধি লৈ সন্ত্ৰাসবাদীয়ে হত্যা কৰিছে। কোনোবাই হিন্দু বুলি কোৱাৰ লগে লগে পত্নীৰ সন্মুখতে স্বামীক গুলীয়াই মাৰিছে। হিন্দু হোৱাটো কিবা দোষ নেকি বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৫ হাজাৰ বছৰৰ পৰা ভাৰতত হিন্দু আছে। চন্দ্ৰ-সূৰ্য থকালৈকে হিন্দু থাকিব। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদীৰ ভয়ত যদি আমি কাশ্মীৰ যাব নোৱাৰিম সেয়া হ'ব নোৱাৰে। সন্ত্ৰাসবাদীৰ ভয়ত যদি অসম তথা উত্তৰ-পূবলৈ যাব নোৱাৰো সেয়া আমি মানি ল'ব নোৱাৰো। সন্ত্ৰাসবাদৰ বিৰুদ্ধে আমি হিন্দু-মুছলমান সকলোৱে মিলি যুঁজিব লাগিব। পুনৰ সাংসদ গৌৰৱ গগৈৰ নাম নোলোৱাকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে আমাৰ এজন কংগ্ৰেছ সাংসদে আটাৰী সীমান্তৰে পাকিস্তানলৈ গৈ ১৫ দিন থাকি আহিছে। এনে ব্যক্তিক আমি ক্ষমা নকৰো, কঠোৰতকৈ কঠোৰ ব্যৱস্থা ল'ম। বিজেপিৰ শাসনত হিন্দু-মুছলমান-খ্ৰীষ্টান সকলো নিৰাপদ আছে বুলি দাবী কৰি মুখ্যমন্ত্ৰী শৰ্মাই আৰু কয় যে মোদী হিন্দুৰ লগতো আছে, মুছলমানৰ লগতো আছে। আমি মাত্ৰ সন্ত্ৰাসবাদীৰ লগত নাই। চৰকাৰী আঁচনি দিওঁতে ধৰ্ম সুধি দিয়া নাই। বিজেপিয়ে ধৰ্ম সুধি কোনো আঁচনি দিয়া নাই। কংগ্ৰেছে কৈ ফুৰিছে ৱাকফ আইন আহিলে বিজেপিয়ে মছজিদ ভাঙি দিব। কিন্তু অসমত বিজেপি অহাৰ পিছত মছজিদ বাঢ়িছেহে। ৰাহুল গান্ধীয়ে হিন্দু ধৰ্মৰ মানুহখিনিক ভাগ কৰিব খোজাৰ অভিযোগ আনি মুখ্যমন্ত্ৰীয়ে কয় যে এছচি, এছটি, অ'বিচিৰ নামত ৰাহুল গান্ধীয়ে হিন্দুসকলক ভাগ ভাগ কৰাৰ চেষ্টা কৰিছে। কিন্তু সন্ত্ৰাসবাদীয়েতো এছচি, এছটি, অ'বিচিক সোধা নাই। এক হৈ থাকিলেহে আমি সুৰক্ষিত হৈ থাকিম। মুখ্যমন্ত্ৰীৰ সভাত হোজাই জিলা বিজেপিৰ সভাপতি দিলীপ ধৰ, হোজাই বিধানসভা সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, লামডিং বিধানসভা সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, প্ৰাক্তন বিধায়ক সুশীল দত্ত, শিলাদিত্য দেৱ আদিকে ধৰি কেবাগৰাকী জ্যেষ্ঠ বিজেপি নেতা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উধমপুৰত শ্বহীদ হ'ল সেনা জোৱান

সেনাৰ এজন জোৱানে প্ৰাণ ত্যাগ কৰে। ভাৰতীয় সেনাৰ হোৱাইট নাইট কৰ্পৰ হৈ কাম কৰা ৬ পিএআৰএ (বিশেষ বাহিনী)ৰ হাবিলদাৰ ঝান্টু আলী শেখ এই আক্ৰমণত শ্বহীদ হয়। এই কথা টুইটযোগে ঘোষণা কৰে হোৱাইট নাইট কৰ্পছে। খবৰ অনুসৰি, জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাৰ ডুডু-বসন্তগড় অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ বিষয়ে সেনা বিষয়াসকলে খবৰ পোৱাৰ পিছত অভিযান চলাইছিল। ই ভাৰতীয় সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া অভিযান আছিল। হাবিলদাৰ ঝান্টু আলী শেখ পশ্চিমবংগৰ কৃষ্ণনগৰ অঞ্চলৰ বাসিন্দা আছিল। কৃষ্ণনগৰ সমষ্টিৰ টিএমচি সাংসদ মহুৱা মৈত্ৰই টুইট কৰি শ্বহীদজনৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰি কয়, "উধমপুৰত সেনা আৰু উগ্ৰপন্থীৰ মাজত সংঘৰ্ষৰ সময়ত আজি ৬ পাৰা এছ এফৰ হাৱলদাৰ ঝান্টু আলী শেখ শ্বহীদ হয়। তেওঁ কৃষ্ণনগৰ লোকসভা সমষ্টিৰ পাথাৰঘাটা গাঁৱৰ বাসিন্দা আছিল। ঈশ্বৰে তেওঁৰ সাহসী আত্মাক আশীৰ্বদ কৰক।" সেনাই প্ৰকাশ কৰিছে যে তেওঁৰ অদম্য সাহস আৰু তেওঁৰ দলৰ বীৰত্ব কেতিয়াও পাহৰিব নোৱাৰি। এই শোকৰ মুহূৰ্তত আমি শোকসন্তপ্ত পৰিয়ালৰ সৈতে একত্ৰিত হৈ থিয় দিয়া বুলি সেনাই প্ৰকাশ কৰে আৰু লগতে কয় যে ঘটনাস্থলীৰ পৰা অন্তিম প্ৰতিবেদন অহাৰ সময়তো অভিযান চলি আছিল। চাৰিজন সন্দেহজনক লোকক সোধা-পোছাৰ বাবে অঞ্চলটোৰ পৰা আটক কৰা হৈছে। উল্লেখ্য, যোৱা ২৪ ঘণ্টাত জম্মুত সন্ত্ৰাসবাদী আৰু নিৰাপত্তা বাহিনীৰ মাজত এইটো তৃতীয় সংঘৰ্ষ। বুধবাৰে দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাৰ টাংমাৰ্গ অঞ্চলত এটা বেষ্টনী আৰু তালাচী অভিযানৰ সময়ত সন্ত্ৰাসবাদীয়ে নিৰাপত্তাৰক্ষীৰ ওপৰত গুলীচালনা কৰাৰ পিছত এক এনকাউণ্টাৰ আৰম্ভ হয়। ভাৰতীয় সেনাই বাৰামুলাৰ উৰি নালা অঞ্চলত এক অনুপ্ৰৱেশৰ চেষ্টা বিফল কৰে। বুধবাৰে তীব্ৰ গুলীচালনাৰ মাজতে দুজন সন্ত্ৰাসবাদী নিহত হৈছিল। উল্লেখ্য যে, মঙলবাৰে পেহেলগামত সংঘটিত এক ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণত ২৬ জন লোকৰ মৃত্যু হোৱাৰ পিছতে আজি কাশ্মীৰত এই ঘটনা সংঘটিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এনকাউণ্টাৰ, হত্যাকাৰী আব্দুল হ'ল

এনকাউণ্টাৰ। এইবাৰ অসম আৰক্ষীয়ে এনকাউণ্টাৰ কৰিছে যোৰহাটত। বিহু অনুষ্ঠানত অসভ্যালি নকৰিবলৈ বাধা দিয়াত এজন যুৱকক মৰিয়াই হত্যা কৰা ঘটনাৰ সৈতে জড়িত মুখ্য অভিযুক্ত আব্দুল নুৰ ওৰফে ৰিজুক যোৰহাট আৰক্ষীয়ে এনকাউণ্টাৰ কৰিছে। আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ প্ৰয়াস কৰাৰ সময়তে আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হোৱা বুলি দাবী কৰে। যোৰহাটৰ চন্দন নগৰত ২০ এপ্ৰিলত অনুষ্ঠিত বিহু অনুষ্ঠানত একাংশ উদণ্ড যুৱক নিচাসক্ত হৈ কাজিয়াত লিপ্ত হৈ থাকোঁতেই কাজিয়া এৰুৱাবলৈ চেষ্টা কৰা স্থানীয় যুৱক দেৱাংগ ভুষণ বৰুৱাক মৰিয়াই মুমূৰ্ষু অৱস্থাত পেলাই থৈ যোৱা দলটোৰ মূল অভিযুক্ত আব্দুল নুৰ ওৰফে ৰিজুৰ ভৰিত গুলী লাগিছে। উল্লেখ্য, যোৰহাট আৰক্ষীয়ে তদন্তৰ বাবে নি থকাৰ সময়তে বুধবাৰে নিশা আন্ধাৰৰ সুযোগ লৈ আব্দুল নুৰ ওৰফে ৰিজুৱে পলায়ন কৰিবলৈ চেষ্টা কৰাৰ বাবেই আৰক্ষীয়ে আব্দুলৰ ভৰিত গুলীয়ায় বুলি জানিব পৰা গৈছে। সমাজ সচেতন যুৱক দেৱাংগ ভুষণ বৰুৱাক দহজনীয় উদণ্ড দলে মৰিয়াই হত্যা কৰাৰ পিছতে অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই সন্দৰ্ভত ৰাজহুৱা সভা অনুষ্ঠিত কৰি অঞ্চলটোত ড্ৰাগছ বিক্ৰী কৰি থকা ব্যক্তিসকলৰ ঘৰত ৰাইজে অভিযান চলায়। ৰাজহুৱা সভাখনত স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে অংশগ্ৰহণ কৰি যোৰহাটৰ আৰক্ষী অধীক্ষক আৰু যোৰহাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ দুৰ্বল ভূমিকাৰ বাবেই যোৰহাটত ড্ৰাগছৰ বেহা বৃদ্ধি পোৱাৰ লগতে সেৱনকাৰীৰ সংখ্যা বৃদ্ধি হৈছে বুলি ক্ষোভ উজাৰে। ৰাইজ আৰু জনপ্ৰতিনিধিগৰাকীৰ দ্বাৰা সমালোচিত হোৱাৰ পিছতেও উদণ্ড যুৱকৰ দলটোক আৰক্ষীয়ে কৰায়ত্ত কৰি ১০ জনীয়া দলটোৰ ভালেকেইজনক জে'ললৈ প্ৰেৰণ কৰাৰ লগতে মূল অভিযুক্ত আব্দুল নুৰ ওৰফে ৰিজুক গুলীয়ায় আৰক্ষীয়ে। ঘটনাৰ নিশা দেৱাংগ ভুষণ বৰুৱাক যোৰহাট মিছন হাস্পতালত ভৰ্তি কৰাইছিল যদিও মূৰত আঘাত গুৰুতৰ হোৱাত মঙলবাৰে পুৱা দেৱাংগ ভুষণ বৰুৱাৰ মৃত্যু হয়। আজি সন্ধিয়া বৰুৱা চাৰিআলিত দেৱাংগ ভুষণ বৰুৱাৰ আত্মাৰ সদগতিৰ লগতে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবীত যোৰহাটত মম প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায় স্থানীয় লোকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধন্যবাদ নাজকত ভাই! প্ৰাণ ৰক্ষা কৰা

সাম্প্ৰদায়িক পৰিস্থিতিৰ উদ্ভৱ হ'ব পৰা কেতবোৰ বিতৰ্কিত মন্তব্য প্ৰদান কৰাৰ মাজতে সামাজিক মাধ্যমত এগৰাকী বিজেপি নেতাই দিয়া এটা পোষ্টক কেন্দ্ৰ কৰি চৰ্চা আৰম্ভ হৈছে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত স্থানীয় কাশ্মীৰী লোকৰ সহায়ত কোনোমতে প্ৰাণ ৰক্ষা কৰি ঘৰলৈ ঘূৰি অহা অৰবিন্দ এছ আগৰৱাল নামৰ ছত্তীশগড়ৰ বিজেপি নেতাজনে সামাজিক মাধ্যমত লিখিছে - “নিজৰ জীৱনৰ কথা নাভাবি আপুনি যিদৰে আমাৰ প্ৰাণ ৰক্ষা কৰিলে তাৰ ঋণ কেতিয়াও সুজিব নোৱাৰিম। ধন্যবাদ নাজাকাত ভাই।” জানিব পৰা মতে, পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ সময়ত কাশ্মীৰী উল কাপোৰৰ ব্যৱসায়ী নাজাকাত আলী নামৰ ব্যক্তিজনে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ছত্তীশগড়ৰ পৰা যোৱা চাৰিটা পৰ্যটক পৰিয়ালক ঘটনাস্থলীৰ পৰা বীৰত্বৰে উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ লৈ যায়। পৰিয়ালকেইটাৰ মুঠ ১১ জন সদস্যৰ ভিতৰত তিনিটা শিশুও আছিল। নিজ নিজ পৰিয়ালৰ সৈতে ১৮ এপ্ৰিলত ছত্তীশগড়ৰ পৰা কাশ্মীৰলৈ আহিছিল শিৱাংশ জৈন, অৰবিন্দ এছ আগৰৱাল, হেপ্পী ৱাধাৱান আৰু কুলদীপ স্থাপক। ২১ এপ্ৰিলৰ দিনা পেহেলগামলৈ আহিছিল পৰিয়াল চাৰিটা। তেওঁলোকে পেহেলগামৰ এটা পৰ্যটনস্থলী পৰিদৰ্শন কৰি থকা অৱস্থাত বন্দুকধাৰীয়ে পৰ্যটকৰ সমাৱেশত নিৰ্বিচাৰ গুলীচালনা কৰে। ইয়াৰ কিছু সময়ৰ পূৰ্বে সামান্য ভূমিস্খলৰ বাবে সেই অঞ্চলৰ পথটোত যান-জঁটৰ সৃষ্টি হৈছিল। ফলত পথৰ দুয়োকাষে পৰ্যটকসকল গোট খাইছিল। কিন্তু হঠাতে গুলীচালনা আৰম্ভ হৈছিল। বৈছাৰন পথাৰত বন্দুকৰ গুলী প্ৰতিধ্বনিত হোৱাৰ লগে লগে আতংকিত পৰ্যটকসকলে প্ৰাণ ৰক্ষাৰ বাবে দৌৰিবলৈ ধৰে আৰু সহায়ৰ বাবে চিঞৰিবলৈ ধৰে। সেই সময়তে উক্ত চাৰিওটা পৰিয়ালকে ঘটনাস্থলীৰ পৰা নিৰাপদ স্থানলৈ উলিয়াই লৈ গৈছিল নাজাকত আলীয়ে। উল্লেখ্য যে নাজাকাত আলী প্ৰতিবছৰে শীতকালত কাপোৰ বিক্ৰীৰ বাবে ছত্তীশগড়ৰ চিৰমিৰি অঞ্চললৈ যায়। সেই সূত্ৰেই চিৰমিৰিত বাস কৰা উক্ত পৰিয়ালকেইটাই নাজাকাত আলীক চিনি পায়। সেয়েহে, তেওঁলোকে কাশ্মীৰ ভ্ৰমণৰ বাবে যাওঁতে নাজাকাত আলীৰে যোগাযোগ কৰে। হেপ্পী ৱাধাৱানে কয়, “পেহেলগাম যোৱাৰ পিছত আমি আমাৰ সৈতে পৰিচিত স্থানীয় নাজাকাত আলীৰ সৈতে যোগাযোগ কৰিছিলোঁ। আমি সকলোৱে তেওঁৰ লগত গৈ পেহেলগাম আৰু ইয়াৰ আশেপাশে থকা পৰ্যটনস্থলীসমূহ পৰিদৰ্শন কৰিবলৈ ওলাই গৈছিলোঁ। পেহেলগামত থকাৰ সময়ত সন্ত্ৰাসবাদীৰ গুলীবৰ্ষণৰ সময়ত আমাৰ লগত থকা নাজাকাত আলীয়ে নিজৰ জীৱনৰ কথা নাভাবি আমাক তাৰ পৰা নিৰাপদ স্থানলৈ লৈ আহে।” নাজাকাত আলীয়ে তেওঁলোকক ঘটনাস্থলীৰ পৰা পলায়ন কৰাত সহায় কৰাৰ বাবে পৰিয়াল চাৰিটাৰ জীৱন ৰক্ষা পৰে যদিও ছত্তীশগড়ৰ ৰায়পুৰৰ ব্যৱসায়ী দীনেশ মিৰানিয়া নামৰ ব্যক্তিজন সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত হয়। জানিব পৰা মতে, দীনেশ মিৰানিয়াই পত্নী নেহা আৰু তেওঁলোকৰ দুটা সন্তানৰ সৈতে ২০ বছৰীয়া বিবাহ বাৰ্ষিকী উদযাপনৰ বাবে কাশ্মীৰলৈ গৈছিল আৰু ২৪ এপ্ৰিলত তেওঁলোকৰ বিবাহ বাৰ্ষিকীৰ দিন আছিল। ছত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইয়ে মিৰানিয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। ৰাজ্যপাল ৰমেন ডেকায়ো এই সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানক সমৰ্থন কৰিলে কঠোৰ

সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰি জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা নৰসংহাৰত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালক ৫ লাখকৈ টকা দিয়াৰ কথা ঘোষণা কৰে। নিহত প্ৰতিজনৰ পৰিয়াললৈ ৫ লাখ টকাৰ সাহায্য ঘোষণা কৰে। লগতে মুখ্যমন্ত্ৰীয়ে পাকিস্তানক সমৰ্থন কৰা লোকসকলক সকীয়নি প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে পাকিস্তানক সমৰ্থন কৰিলে কঠোৰ ব্যৱস্থা লোৱাৰ হুংকাৰ প্ৰদান কৰে। ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ধিঙৰ বহু বিতৰ্কিত বিধায়ক আমিনুল ইছলামৰ গ্ৰেপ্তাৰক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি পাকিস্তানক সমৰ্থন কৰা বুলি দাবী কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমেলত কয় যে প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সংকল্প লৈছে। প্ৰধানমন্ত্ৰীৰ সংকল্পক আমি অসমবাসীয়ে সম্পূৰ্ণ সমৰ্থন জনাইছো। আমিনুল ইছলামে পাকিস্তানক সমৰ্থন কৰিছে। আৰক্ষীয়ে ল'ব বিহিত ব্যৱস্থা। একাংশই ঘটনাত পাকিস্তানৰ দায় এৰুওৱাৰ চেষ্টা কৰিছে। পাকিস্তানক সমৰ্থন কৰাসকলক ৰেহাই দিয়া নহ'ব। পাকিস্তানক সমৰ্থন কৰা কাম অসমৰ মাটিত হ'বলৈ নিদিওঁ। সামাজিক মাধ্যমত পোষ্ট দিলে আৰক্ষীয়ে ল'ব ব্যৱস্থা। আমিনুল ইছলামৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ গোচৰ ৰুজু কৰা হৈছে। অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰাব। একাংশ লোকে পাকিস্তানৰ পৰা দৃষ্টি আঁতৰাই অনাৰ চেষ্টা কৰি পাকিস্তানক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সমৰ্থন কৰা দেখিছো। অসমতো বিধায়ক আমিনুল ইছলামে আগবঢ়োৱা বক্তব্যত অসমীয়া ৰাইজ ক্ষোভিত হৈছে। পাকিস্তানক একপ্ৰকাৰ সমৰ্থন দিয়াৰ যি চেষ্টা সেই চেষ্টাত আমি আঘাত পাইছো। লগতে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীক লৈ মুখ্যমন্ত্ৰীয়ে সংবাদমেলত কয় যে চৰকাৰে ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী বছৰজোৰাকৈ পালনৰ পৰিকল্পনা কৰিছে। সুধাকণ্ঠৰ জন্ম শতবৰ্ষ পালনৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী মোদীয়ে অংশগ্ৰহণ কৰিব বুলি উল্লেখ কৰি মোদীক আদৰণি জনোৱা বুলি সদৰী কৰি কয় যে ভূপেন হাজৰিকাৰ নামত এটা মুদ্ৰা প্ৰচলন কৰাৰ বাবে ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া আৰু বিত্ত মন্ত্ৰণালয়ৰ সৈতে ইতিমধ্যে যোগাযোগ কৰা হৈছে। গুৱাহাটীৰ ৰিং ৰোড নিৰ্মাণ সন্দৰ্ভত তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে ৭৫০০ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া গুৱাহাটীৰ ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব। ৰিং ৰোডৰ বাবে মাটি অধিগ্ৰহণৰ বাবে ৫০ শতাংশ টকা অসম চৰকাৰে দিব। বাকী ভাৰত চৰকাৰে সহযোগ কৰিব। লগতে মুখ্যমন্ত্ৰীয়ে নুমলীগড় ৰিফাইনেৰীৰ বায়' ৰিফাইনেৰী ৮ ছেপ্টেম্বৰত মুকলি কৰা হ'ব বুলি উল্লেখ কৰি কয় যে এইটো দেশৰ প্ৰথমটো বায়' ৰিফাইনেৰী হ'ব। ৪২০০ কোটি টকাৰে নিৰ্মাণ সম্পন্ন হ'ব। আছাম ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল লিমিটেড গঠন কৰিব। বিভিচিএল চলি থাকিব। মুঠতে নামৰূপত দুটা কাৰখানা চলি থাকিব। ভাৰত চৰকাৰে দুয়োটা কাৰখানাক একত্ৰিকৰণ কৰিবনে নাই তাৰ সিদ্ধান্ত পিছত লোৱা ল'ব। আদানী গ্ৰুপে দহ দিনৰ ভিতৰত দুবাৰকৈ কথা পতা বুলি উল্লেখ কৰি কয় যে আদানী গ্ৰুপে অসমত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা দিছে। অসমত ডিচেম্বৰৰ ভিতৰত এক লাখ কোটি টকাৰ বিনিয়োগ হ'ব।

# বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, বাঁহজানী, ২৪ এপ্ৰিলঃ** বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত যজ্ঞভূমি শাখা ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা ২২ এপ্ৰিলত জম্মু কাশ্মীৰৰ পেহেলগামত সংঘটিত হোৱা ইছলামিক সন্ত্ৰাসবাদীৰ নিষ্ঠুৰ আক্ৰমণৰ ফলত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰি যজ্ঞভূমি শ্বহীদ বেদী প্ৰাংগণত বন্তি প্ৰজ্বলন কৰি ১ মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰাহুল বৰ্মনে সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকললৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে চাৰকাৰক সন্ত্ৰাসবাদী পুলিয়ে-পোখাই নিৰ্মূল কৰাৰ দাবী জনায়। বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক অভিলাশ কাশ্যপে এনে ঘটনাৰ পুনৰাবৃত্তি নহ'বলৈ চৰকাৰলৈ দাবী জনায়। আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত যজ্ঞভূমি শাখা ছাত্ৰ সন্থাৰ সভাপতি বিশাল কুমাৰ দাস, সাধাৰণ সম্পাদক অবিনাশ ৰাজবংশীৰ লগতে শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকি নিহত লোকসকললৈ শ্ৰদ্ধাঞ্জলি জনায় ।

যোৰহাট সৰুচৰাই নিৰ্বাচনী প্ৰচাৰ সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ

# কংগ্ৰেছৰ কাৰ্যকালত ক্ষতিগ্ৰস্ত হৈছিল ৰাজ্যৰ গ্ৰামাঞ্চল

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৪ এপ্ৰিলঃ** বিগত দিনবিলাকত ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বত পঞ্চায়তসমূহত যিখিনি কাম-কাজ হ'ল তাৰবাবে ৰাইজ আনন্দিত। কংগ্ৰেছৰ ৫৫ বছৰীয়া কাৰ্যকালত যিমানবোৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ হ'ল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ল গ্ৰামাঞ্চলৰ ৰাইজ। বাপুজীৰ যিটো সপোন তাক ভাঙি-ছিঙি চূৰমাৰ কৰাত কংগ্ৰেছ দলটো জনসাধাৰণৰ সন্মুখত অস্বস্তিত ১৫ পৃষ্ঠাত চাওক




যোৰহাট সৰুচৰাই নিৰ্বাচনী প্ৰচাৰ সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ফটোঃ ই-সংবাদ, পশ্চিম যোৰহাট

# কিশোৰীৰ সৈতে অপকৰ্ম কৰি গেলেকীত ধৃত ২ লম্পট যুৱক

**ই সংবাদ, গেলেকী, ২৪ এপ্ৰিলঃ** মানৱ সমাজক লজ্জিত কৰা ঘটনা সংঘটিত হৈছে গেলেকীৰ বিষ্ণুপুৰ আদৰ্শ গাঁৱত। এগৰাকী কিশোৰীৰ সৈতে অপকৰ্ম কৰি ৰঙাঘৰৰ আলহী হ'ল গেলেকী বিষ্ণুপুৰ আদৰ্শ গাঁৱৰ দুজনকৈ লোক। অভিযুক্ত ১৪ পৃষ্ঠাত চাওক

# হৰিপ্ৰসাদ বৰাৰ মৃত্যুত মৰিগাঁৱত শোকৰ ছাঁ

**ই-সংবাদ, মৰিগাঁও, ২৪ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ কুমৈ নিবাসী হৰিপ্ৰসাদ বৰা (নৰ) ৰ আকস্মিক মৃত্যুত বৃহত্তৰ কুমৈ আৰু জাগী অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩৯ বছৰ। জানিব পৰা মতে, কালি দুপৰীয়া বৰা শেষাংশ ১৪ পৃষ্ঠাত

# তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালক বিষয়া-কৰ্মচাৰীৰ সম্বৰ্ধনা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ এপ্ৰিলঃ** তিনিচুকীয়া জিলাই ইয়াৰ সামগ্ৰিক বিকাশৰ শিতানত ২০২৪ বৰ্ষৰ বাবে লাভ কৰা প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা প্ৰশাসনৰ উৎকৃষ্টতা বঁটাৰ কৃতিত্ব মূলতঃ জিলাখনৰ অংগনৱাড়ী কৰ্মী-সহায়িকা, আশা কৰ্মী, গ্ৰামীণ ক্ষেত্ৰ শেষাংশ ১৪ পৃষ্ঠাত

# ছিপাঝাৰত চেন্ট্ৰেল বেংকৰ পৰা হৰলুকী ৰাজহুৱা ধন, মৌন বেংক কৰ্তৃপক্ষ

**ই-সংবাদ, ছিপাঝাৰ, ২৪ এপ্ৰিলঃ** ছিপাঝাৰত বেংকৰ পৰাই ৰাজহুৱা ধন হৰলুকীৰ এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। অভিযোগৰ বিৱৰণী অনুসৰি ইয়াৰ ধৰ্মীয় তথা সামাজিক-সাংস্কৃতিক স্বেচ্ছাসেৱী অনুষ্ঠান মহৰীয়া সংৰক্ষণ গৰখীয়া সংঘৰ বিষয়ববীয়াই বিগত ২০২৩ বৰ্ষৰ ২৭ অক্টোবৰত ছিপাঝাৰস্থ চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া, নামখলা শাখাৰ ১৪ পৃষ্ঠাত চাওক

# এটিপিএৰ প্ৰাক্তন সভাপতি, চাহ খেতিয়ক ৰাজীৱ বৰুৱাৰ মৃত্যু

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৪ এপ্ৰিলঃ** বিশিষ্ট চাহ খেতিয়ক বিষ্টুৰাম বৰুৱাই প্ৰতিষ্ঠা কৰা সৰুচৰাই চাহ বাগিচাৰ পুৰ্ণিভেটিত বসবাস কৰি থকা ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ নাতি, হেমেন্দ্ৰ প্ৰসাদ বৰুৱাৰ ভতিজা ৰাজীৱ বৰুৱা (৬২) ৰ শেষাংশ ১৪ পৃষ্ঠাত

# চতিয়াৰ জয়সিদ্ধিত অঘটন, খহি পৰিল হাইভল্টেজ তাঁৰ

**ই-সংবাদ, চতিয়া, ২৪ এপ্ৰিলঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ জয়সিদ্ধি অঞ্চলৰ মনাপুৰ, গণেশপুৰ, জাপি পুখুৰী আৰু নগাঁও গাঁওকে ধৰি গাঁওসমূহত কালি সন্ধিয়া সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। যাৰ ফলত ১৫ পৃষ্ঠাত চাওক



পাৱাৰ গ্ৰীডৰ চাৰি লাখ ভল্টৰ তাঁৰ পৰাৰ পিছৰ দৃশ্য

# ডুমডুমাত মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ এপ্ৰিলঃ** ১৯৬৮ চনৰ ৫ মে'ত প্ৰতিষ্ঠা লাভ কৰা ভূমিপুত্ৰ মৰাণ জনজাতিৰ একমাত্ৰ ছাত্ৰ সংগঠন "সদৌ মৰাণ ছাত্ৰ সন্থা"ৰ ৫৭ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা শেষাংশ ১৬ পৃষ্ঠাত

# শুৱালকুছিৰ চাৰিশৰীয়াত বিলাতী সুৰাৰ ঘাটি উচ্ছেদ

## আৰক্ষী, আবকাৰী বিভাগৰ চকুৰ সমুখতে নৱনিৰ্মিত পথৰ দাঁতিত ৰমৰমীয়া বেহা

**ই-সংবাদ, শুৱালকুছি, ২৪ এপ্ৰিলঃ** কামৰূপৰ হাজো-শুৱালকুছি সংযোগী নৱনিৰ্মিত চাৰিশৰীয়া পথৰ ভেলামাৰীৰ কলাজল নৈৰ দলঙৰ সমীপত দীৰ্ঘদিনৰ পৰা অবৈধভাৱে বিলাতী সুৰা বিক্ৰী কৰি থকা এখন অবৈধ বিপণী আজি হাজো আৰক্ষীয়ে উচ্ছেদ কৰি কেইবা লক্ষধিক টকাৰ বিলাতী সুৰা জব্দ কৰে। উল্লেখ্য, হাজো-শুৱালকুছি সংযোগী চাৰিশৰীয়া পথৰ কলাজল নৈৰ দলঙৰ কাষতে দীৰ্ঘদিনৰ পৰা অবৈধভাৱে চলাই আহিছিল বিলাতী সুৰাৰ ৰমৰমীয়া বেহা। এই সন্দৰ্ভত হাজো আৰক্ষীক একাংশ সচেতন লোকে দিয়া অভিযোগৰ ভিত্তিত অবৈধ সুৰাৰ বিৰুদ্ধে হাজো আৰক্ষীয়ে অভিযান চলায়। অভিযানত শেষাংশ ১৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰ এতিয়া নিমাওমাও, পথত নাই

তুলিছিল কাশ্মীৰত। অথচ আতংক, বিভীষিকা, বেজাৰ আৰু নিস্তব্ধতাৰ ঘন অন্ধাকাৰে যেন গ্ৰাস কৰিছে সমগ্ৰ কাশ্মীৰ! বন্দুকৰ গুলীৰ শব্দ, পৰ্যটকৰ আৰ্তনাদ আৰু সেই বিভীষিকাময় আবেলিটোৰ দুঃসহ স্মৃতি যেন এতিয়াও ৰৈ গৈছে বৈছাৰন উপত্যকাৰ নিস্তব্ধ বতাহত। কোনেও কেতিয়াও ভবা নাছিল প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্যৰ মাজত হঠাতে উগ্ৰবাদীৰ বন্দুকৰ পৰা সৰিব মৃত্যুৰ বৰষুণ! ঘটনাৰ পিছতে এজন এজনকৈ হাজাৰ হাজাৰ পৰ্যটকে এতিয়া কাশ্মীৰ এৰি থৈ আহিছে। শ্ৰীনগৰ, পেহেলগাম, সোণমাৰ্গ প্ৰতিটো অঞ্চল প্ৰায় নিৰ্জন হৈ পৰিছে। বুধবাৰে পুৱাৰে পৰা বিমানবন্দৰত ভিৰ লাগিছে পৰ্যটকৰ। কোনোবাই নিজাববীয়াকৈ উভতি আহিছে, কোনোবাই পৰিয়ালৰ আন্তৰিক অনুৰোধত। হোটেল, ৰেষ্টুৰেণ্ট, বজাৰ আজি সকলো বন্ধ। মাত্ৰ তিনি দিন আগলৈকে পৰ্যটকৰ খদমদমেৰে ভৰি পৰা পৰ্যটনস্থলীবোৰত এতিয়া ভয়াৱহ নিৰ্জনতা। কিন্তু কাশ্মীৰৰ বেজাৰ ইয়াতেই যেন শেষ নহয়। এই আক্ৰমণে কাশ্মীৰৰ পৰ্যটন নিৰ্ভৰশীল অৰ্থনীতিত ভয়াৱহ আঘাত হানিছে। বছৰৰ এই সময়ত কাশ্মীৰত পৰ্যটকৰ ভিৰ বাঢ়ে। দেশ-বিদেশৰ পৰা কাশ্মীৰলৈ অহা পৰ্যটকে আৰ্থিক সকাহ আনে স্থানীয় বাসিন্দাসকললৈ। কিন্তু সন্ত্ৰাসবাদীৰ এ কে-৪৭ৰ গৰ্জনে এই মুহূৰ্তত চৌদিশে আতংকৰ সৃষ্টি কৰিছে। অসহায় হৈ পৰিছে স্থানীয় ঘোঁৰা চালক, দোকানী, হোটেলৰ মালিক-কৰ্মচাৰী। এজনে বিষাদগধুৰ মাতেৰে কৈছে, “বেয়া সপোন এটাও ইমান ভয়ংকৰ নহয়! আমাৰ উপাৰ্জনৰ একমাত্ৰ সমলটোও সিহঁতে কাঢ়ি নিলে।” কাশ্মীৰৰ স্থানীয় ৰাইজো আতংকিত হৈ পৰিছে। ইমান দিনে পৰ্যটকৰ আতিথ্যৰ দ্বাৰা জীৱন নিৰ্বাহ কৰা বহুতেই এতিয়া চিন্তিত- এই ঘটনাৰ পিছত আকৌ কাশ্মীৰলৈ আহিবনে পৰ্যটক? ঘটনাৰ পিছৰ পৰা পৰ্যটকশূন্য হৈ পৰা এখন হোটেলৰ মালিকে কান্দি উঠে, "আমি কান্ধত কান্ধ মিলাই একেলগে কাম কৰো। এয়া কেৱল পৰ্যটকৰ বিৰুদ্ধে অপৰাধ নহয়, ই মানৱতাৰ বিৰুদ্ধে অপৰাধ।" ইফালে, কাশ্মীৰৰ বুকুত পৰ্যটকৰ ওপৰত সংঘটিত বৰ্বৰ আক্ৰমণৰ বিৰুদ্ধে মাৰবান্ধি ওলাই আহিছে কাশ্মীৰৰ জনতা। "ট্যুৰিষ্ট হামাৰা জান হ্যে’ (পৰ্যটক আমাৰ জীৱন) লিখা পোষ্টাৰ হাতে হাতে লৈ ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিছে কাশ্মীৰীয়ে। উপত্যকা এৰিবলৈ সাজু হোৱা পৰ্যটকসকলক কৰযোৰে অনুৰোধ কৰিছে তেওঁলোকে- 'লাগিলে জীৱন দি দিম, তথাপি আপোনালোকৰ ক্ষতি হ’বলৈ নিদিওঁ। কেৱল কাশ্মীৰ এৰি নাযাব...’। উগ্ৰবাদীৰ বন্দুকৰ গুলীয়ে প্ৰাণ কঢ়া মৃতকৰ সদগতি কামনাৰে মমবাতি জ্বলাই শ্ৰীনগৰৰ পৰা জম্মুলৈকে ঠায়ে ঠায়ে বাহিৰ কৰা হৈছে শোক সমদল। এই মুহূৰ্তত চৰকাৰো অলসভাৱে বহি থকা নাই। পৰিস্থিতিৰ ভয়াৱহতা বুজি ডিজিচিএই সকলো বিমান সংস্থাক অতিৰিক্ত বিমানৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে। কোৱা হৈছে যে যাত্ৰীসকলৰ পৰা অতিৰিক্ত ভাৰা ল’ব নোৱাৰিব, আৰু বাতিল বা পুনৰ নিৰ্ধাৰণৰ মাচুলো ৰেহাই দিব লাগিব। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে কয় যে কেৱল বুধবাৰে পুৱা ৬ বজাৰ পৰা দুপৰীয়ালৈ ৩,৩৩৭ গৰাকী পৰ্যটক কাশ্মীৰৰ পৰা ৰাওনা হৈছে। এই ঘটনাৰ ভয়াৱহতা আৰু অধিক বৃদ্ধি কৰিছে মৃত্যু হোৱা লোকৰ সংখ্যাই। আনুষ্ঠানিকভাৱে কমেও ২৬ জন লোকৰ মৃত্যু ঘটিছে। কিন্তু নিশ্চিত নোহোৱা সূত্ৰই জনোৱা মতে এই সংখ্যা আৰু বৃদ্ধি পাব পাৰে। নিহতসকলৰ ভিতৰত আছে এজন নৌসেনাৰ বিষয়া, একাধিক ৰাজ্যৰ পৰ্যটক, আনকি দুজন বিদেশী নাগৰিকো। ২০১৯ চনত পুলৱামা আক্ৰমণৰ পিছত এইটোৱেই হৈছে দেশৰ ভিতৰতে মৃত্যুৰ সংখ্যাৰ ক্ষেত্ৰত সৰ্ববৃহৎ সন্ত্ৰাসবাদী আক্ৰমণ। কাশ্মীৰৰ মাটিত এই ৰক্তাক্ত ঘটনাই কেইবাজনৰো প্ৰাণ লোৱাই নহয়, মানুহৰ আস্থা আৰু আতিথ্যৰ পৰম্পৰাকো ভেঙুচালি কৰিলে। ইয়াৰ ফলত কেন্দ্ৰীয় নিৰাপত্তা ব্যৱস্থাক লৈও প্ৰশ্ন উত্থাপন হৈছে- সঁচাকৈয়ে কাশ্মীৰ সুৰক্ষিতনে? এতিয়াৰ বাবে উত্তৰটো স্পষ্ট নহয়! ভূস্বৰ্গৰ বুকুত পুনৰ কেতিয়া ভাল দিন আহিব তাৰ নিশ্চয়তা নাই!

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হইঠা মাটিত! সীমান্ত ঠাকুৰীয়াই

পূব গুৱাহাটী বিহু সন্মিলনীৰ দুই বিষয়ববীয়া সীমান্ত ঠাকুৰীয়াই ৰাজহুৱাকৈ ক্ষমা খোজে কণ্ঠশিল্পী-গীতিকাৰ-সুৰকাৰ দিগন্ত ভাৰতী আৰু পত্নী ভাস্বতী ভাৰতীক। দিগন্ত ভাৰতীক বিহু মঞ্চত গীত পৰিৱেশন কৰিবলৈ তুলি দি মাইক্ৰ’ফোন কাঢ়ি নি অপমান কৰি নমাই দিয়াত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত কণ্ঠশিল্পী-গীতিকাৰ-সুৰকাৰ দিগন্ত ভাৰতী আৰু পত্নী ভাস্বতী ভাৰতীয়ে ক্ষমা খোজাৰ দাবী তুলিছিল। ৯ দিনে নাও বুৰিলেও টিঙৰ পৰা ননমা পূব গুৱাহাটী বিহু সন্মিলনীয়ে অৱশেষত স্থিতি দুৰ্বল কৰিবলৈ সক্ষম হয়। বিষয়টোক লৈ দুয়োপক্ষই আক্ৰমণ-প্ৰত্যাক্ৰমণ, অভিযোগ-প্ৰতিঅভিযোগ অব্যাহত ৰখাৰ সময়তে অৱশেষত আপোচ মীমাংসাৰে নিষ্পত্তি কৰাৰ সিদ্ধান্ত লয়। সেই অনুসৰি আজি দুয়োপক্ষই একেলগে বহি বিষয়টোক লৈ আপোচ মীমাংসা কৰে। কিন্তু ইতিমধ্যে অসমৰ চলচ্চিত্ৰ সমাজে গোচৰ ৰুজু কৰিছিল। ৰুজু হোৱা গোচৰ প্ৰত্যাহাৰ কৰিবনে নাই সেই কথা জানিব পৰা নাযায়। আজি দুয়োপক্ষই এক বিবৃতি জাৰি কৰাৰ লগতে সংবাদমেল সম্বোধন কৰি ক্ষমা খোজা বুলি উল্লেখ কৰিছে। দিগন্ত ভাৰতী, পত্নী ভাস্বতী ভাৰতী, বিহু সমিতিৰ বিষয়ববীয়া বিপুল তালুকদাৰ আৰু সীমান্ত ঠাকুৰীয়াই স্বাক্ষৰ কৰা বিবৃতিত কোৱা হৈছে যে সেই দিনা নিশা অনাকাংক্ষিত আৰু অনিচ্ছাকৃতভাৱে উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে আমি বিহু সন্মিলনৰ তৰফৰ পৰা বিপুল তালুকদাৰ আৰু সীমান্ত ঠাকুৰীয়াই দুখ প্ৰকাশ কৰি ভৱিষ্যতে যাতে এনে পৰিস্থিতিৰ সৃষ্টি নহয় তাৰে কামনা কৰো। বিষয়টোক লৈ দিগন্ত ভাৰতী, পত্নী ভাস্বতী ভাৰতীয়েও দুখ প্ৰকাশ কৰাত অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ আয়োজক আৰু শিল্পী, কলা-কুশলীৰ স্বাৰ্থত সমিলমিলেৰে উদ্ভৱ হোৱা বিবাদৰ সামৰণি মাৰিবলৈ সন্মত হয়। দুয়ো পক্ষই বিবৃতি প্ৰকাশৰ পিছতে বিষয়টোক লৈ বিবাদ নিষ্পত্তি হোৱা বুলি দাবী কৰা হৈছে। ১০ দিন চলি থকা বিতৰ্কৰ অন্ত হয়। ১৬ এপ্ৰিলত ৰঙালী বিহুৰ উছাহৰ মাজতে চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলনৰ মঞ্চত সংঘটিত হৈছিল এই বিবাদ। পূব গুৱাহাটী বিহু সন্মিলনৰ মঞ্চত কণ্ঠশিল্পী-গীতিকাৰ-সুৰকাৰ দিগন্ত ভাৰতীক অপমান কৰাৰ অভিযোগ উত্থাপন হৈছিল। শিল্পী দিগন্ত ভাৰতীক মঞ্চৰ পৰা জোৰকৈ নমাই আনিছিল বিহু উদযাপন সমিতিৰ বিষয়ববীয়াই। পূব গুৱাহাটী বিহু সন্মিলন সমিতিৰ বিষয়ববীয়া সীমান্ত ঠাকুৰীয়াই সুৰামত্ত অৱস্থাত শিল্পী দিগন্ত ভাৰতীক অপমান কৰাৰ অভিযোগ উত্থাপন হৈছিল। উল্লেখ্য যে ১৬ এপ্ৰিলত পূব গুৱাহাটী বিহু সন্মিলনত অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰিত আছিল জনপ্ৰিয় কণ্ঠশিল্পী ভাস্বতী ভাৰতী। কণ্ঠশিল্পী তথা পত্নীৰ অনুষ্ঠান চাবলৈ দৰ্শকৰ আসনত বহি আছিল দিগন্ত ভাৰতী। কিন্তু তেতিয়া পূব গুৱাহাটী বিহু সন্মিলনৰ সমিতিৰ একাংশ বিষয়ববীয়াই কণ্ঠশিল্পীগৰাকীক জোৰ কৰিছিল মঞ্চত গীত গাবলৈ। বহুবাৰ মঞ্চত গীত পৰিৱেশন নকৰো বোলাৰ পিছতো জোৰকৈ মঞ্চলৈ মাতি নিছিল শিল্পী দিগন্ত ভাৰতীক। মঞ্চত উঠাৰ পিছত পূব গুৱাহাটী বিহু সন্মিলন সমিতিৰ বিষয়ববীয়াই সম্বৰ্ধনাও জনাইছিল শিল্পীগৰাকীক। ৰাইজ আৰু উপস্থিত সমিতিৰ বিষয়ববীয়াৰ অনুৰোধত এটি গীতো গুণগুণাইছিল শিল্পী দিগন্ত ভাৰতীয়ে। সমিতিৰ বিষয়ববীয়াৰ মতে ধুতি নিপিন্ধাকৈ মঞ্চত উঠাৰ বাবেই অপমান কৰে। তাৰ পিছতে মঞ্চৰ পৰা নমাই লৈ গৈছিল শিল্পী দিগন্ত ভাৰতীক। এই ঘটনাৰ পিছতে দিগন্ত ভাৰতীক অপমান কৰা সীমান্ত ঠাকুৰীয়াৰ বিৰুদ্ধে ঠায়ে ঠায়ে দাখিল কৰিছিল এজাহাৰ। আনফালে দিগন্ত ভাৰতীক ক্ষমা খুজিবলৈ প্ৰতিবাদো কৰিছিল ৰাজ্যৰ শিল্পী সমাজে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰীতমক সাক্ষাৎ চাপ্ৰাৰ

জে'লত দিন কটাবলগীয়া হৈছে কংগ্ৰেছ নেতা ৰীতম সিঙে। আদালতৰ পৰা বাৰে বাৰে জামিন লাভ কৰাৰ পিছতো ভুৱা গোচৰত গ্ৰেপ্তাৰ কৰি 'ষড়যন্ত্ৰমূলক ৰাজনীতি' কৰি গৈছে বিজেপি চৰকাৰে। বিৰোধীৰ ওপৰত এনে দমনমূলক নীতিৰ বিৰোধিতাৰে আজি মৰিগাঁও জিলা কাৰাগাৰত উপস্থিত হৈ মুখপাত্ৰ ৰীতম সিঙক সাক্ষাৎ কৰে সৰ্বভাৰতীয় কংগ্ৰেছ দলৰ এটা প্ৰতিনিধি দলে। তেওঁলোকে বাক-স্বাধীনতাৰ ওপৰত হোৱা নৃশংস আক্ৰমণ, ৰাজনৈতিক প্ৰতিশোধৰ উলংগ প্ৰদৰ্শন আৰু সাংবিধানিক মূল্যবোধৰ গুৰুতৰ উলংঘাৰ বিৰুদ্ধে এক গৰ্জন তুলি কয় যে কোনো কংগ্ৰেছ কৰ্মীক অন্যায়ভাৱে নিৰ্যাতন চলালে কংগ্ৰেছ মৌন হৈ নাথাকে। কংগ্ৰেছে এক প্ৰেছ বিবৃতি প্ৰকাশ কৰি কয় যে ৰাজ্যৰ বিজেপি চৰকাৰে বাৰে বাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ ৰীতম সিঙক সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিতভাৱে আৰু ভুৱা গোচৰত জে'ললৈ প্ৰেৰণ কৰিছে। চৰকাৰক সমালোচনা কৰা এটা টুইটৰ বাবে প্ৰথমে লখিমপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল ৰীতম সিঙক। সেই গোচৰত আদালতে জামিন প্ৰদান কৰাৰ ঠিক পিছতে এক নতুন ভুৱা গোচৰত কংগ্ৰেছৰ মুখপাত্ৰগৰাকীক পুনৰ গ্ৰেপ্তাৰ কৰে মৰিগাঁও আৰক্ষীয়ে। কংগ্ৰেছে চৰকাৰৰ ভূমিকাক ক্ষুৰধাৰ সমালোচনা কৰি কয় যে ৰীতম সিঙৰ বাৰাম্বাৰ গ্ৰেপ্তাৰ বিজেপিৰ প্ৰতিশোধমূলক ৰাজনীতিৰ এক ঘৃণনীয় উদাহৰণ। চৰকাৰৰ ভুৱা গোচৰত বৰ্তমান মৰিগাঁও জিলা কাৰাগাৰত আবদ্ধ হৈ থকা কংগ্ৰেছ নেতাগৰাকীক আজি সাক্ষাৎ কৰে কংগ্ৰেছৰ তিনিগৰাকী ৰাষ্ট্ৰীয় মুখপাত্ৰ-চৰণ সিং চাপ্ৰা (অসম নিৰ্বাচনৰ সংবাদ মাধ্যমৰ সমন্বয়ক), নিঘাট আব্বাছ আৰু হৰ্ষদ শৰ্মাই। তেওঁলোকে ৰীতম সিং আৰু তেওঁৰ পৰিয়ালক কংগ্ৰেছ দলৰ পৰা পূৰ্ণ আইনী, নৈতিক আৰু সাংগঠনিক সমৰ্থনৰ আশ্বাস প্ৰদান কৰে। ৰীতম সিঙক সাক্ষাৎ কৰাৰ পিছত দলৰ ৰাষ্ট্ৰীয় নেতা চৰণ সিং চাপ্ৰাই কয়, "যি চৰকাৰে সমালোচনাৰ সন্মুখীন হ'লেই বিৰোধী দলৰ মুখ বন্ধ কৰিব বিচাৰে, সেইখন চৰকাৰ ফেচীবাদৰ পথত আগবাঢ়িছে। যদি বিজেপিয়ে ভাবে যে ইয়াৰ দ্বাৰা কংগ্ৰেছ কৰ্মীৰ মনোবল ভাঙিব, তেন্তে তেওঁলোকে এটা গুৰুতৰ ভুল কৰিছে। কংগ্ৰেছে কাকো নীৰৱ হ'বলৈ নিদিয়ে।" ভাৰতীয় জাতীয় কংগ্ৰেছে স্পষ্টকৈ কয় যে এই ঘটনা কেৱল এজন কংগ্ৰেছ নেতাৰ ওপৰত আক্ৰমণ নহয়, ই ভাৰতৰ গণতন্ত্ৰৰ ওপৰত আক্ৰমণ। যুৱ ৰাজনৈতিক কণ্ঠক জে'লত ভৰোৱাটো হৈছে জনসাধাৰণৰ বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ। আইনী আৰু সাংগঠনিক পৰ্যায়ত এই অন্যায়ৰ বিৰুদ্ধে যুঁজখন তীব্ৰতৰ কৰি তোলা হ'ব আৰু এই বিষয়টো এআইচিচিৰ শীৰ্ষ নেতৃত্বৰ ওচৰত ক্ষিপ্ৰতাৰে উত্থাপন কৰা হ'ব।একে সময়তে অসম প্ৰদেশ কংগ্ৰেছ কমিটীক ৰীতম সিং আৰু তেওঁৰ পৰিয়ালৰ সৈতে নিয়মীয়াকৈ যোগাযোগ বজাই ৰাখিবলৈ আৰু তেওঁলোকে সকলো আইনী, মানসিক সহায় লাভ কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে দলৰ ৰাষ্ট্ৰীয় প্ৰতিনিধি দলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ আকাশত নিষিদ্ধ ভাৰতীয়

পাক-সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত অত্যন্ত জটিল হৈ পৰিছে ভাৰত-পাকিস্তানৰ সম্পৰ্ক। মঙলবাৰে হোৱা এই আক্ৰমণৰ পিছত বুধবাৰে ভাৰত চৰকাৰে ১৯৬০ চনৰ সিন্ধু জল চুক্তি তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ বাতিল কৰে। লগতে বন্ধ কৰি দিয়া হয় আট্টাৰী সংহত চেকপোষ্ট। ইয়াৰ উপৰিও পাকিস্তানৰ পৰা ভিছা লৈ ভাৰতলৈ অহা নাগৰিক সকলক ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত এৰি যাবলৈ নিৰ্দেশ দিয়ে ভাৰত চৰকাৰে। এইদৰে পাকিস্তানৰ ওপৰত কেইবাটাও শাস্তিমূলক নীতি গ্ৰহণ কৰে ভাৰতে। ইয়াৰ পিছত বৃহস্পতিবাৰে ইছলামবাদে ঘোষণা কৰে যে এতিয়াৰে পৰা ভাৰতক পাকিস্তানৰ আকাশমাৰ্গ ব্যৱহাৰৰ অনুমতি দিয়া নহ'ব। ইয়াৰ পিছতে এয়াৰ ইণ্ডিয়া আৰু ইণ্ডিগ'ৰ আন্তঃৰাষ্ট্ৰীয় বিমানৰ সময়সূচী আৰু পথত ইয়াৰ প্ৰভাৱ অনিবাৰ্য প্ৰভাৱ পৰে। দুয়োটা কোম্পানীয়ে কয় যে কিছুমান আন্তঃৰাষ্ট্ৰীয় বিমানক বিকল্প দীৰ্ঘ দূৰত্বৰ পথলৈ সলনি কৰিবলগীয়া হ'ব, যিটো বিশেষকৈ আমেৰিকা, ইউৰোপ আৰু মধ্যপ্ৰাচ্যলৈ যোৱা বিমানৰ বাবে অতি প্ৰয়োজনীয় হ'ব। সেয়ে, বিমানবন্দৰলৈ যোৱাৰ পূৰ্বে যাত্ৰীসকলক তেওঁলোকৰ বিমানৰ নিৰ্ধাৰিত সময় আৰু পথ ভালদৰে পৰীক্ষা কৰিবলৈ কোৱা হৈছে। অৱশ্যে বহু পৰ্যবেক্ষকৰ মতে বিমান সংস্থাসমূহে দীঘলীয়া পথেৰে যাত্ৰা কৰিলে টিকটৰ মূল্য বৃদ্ধি কৰিব পাৰে। উল্লেখ্য যে পেহেলগাম আক্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী চৌদি আৰৱত আছিল। তেওঁ স্বদেশলৈ ঘূৰি অহাৰ সময়ত পাকিস্তানৰ আকাশমাৰ্গ এৰাই চলি অন্য পথেৰে ভাৰতলৈ উভতি আহিছিল। এনেদৰে এতিয়া দুই দেশৰ মাজত বৃদ্ধি পাইছে উত্তেজনা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সন্ত্ৰাসৰোধত ব্যৰ্থতা, প্ৰতিবাদ

মাজমজিয়াত আজি কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যিক নেতাৰ উপস্থিতিত কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যিক সংখ্যালঘু বিভাগৰ সভাপতি ছলমান খানৰ নেতৃত্বত সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। পাকিস্তানী সন্ত্ৰাসবাদীৰ পুত্তলিকা দাহ কৰি পাকিস্তান মুৰ্দাবাদ শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদত অংশ লোৱা ৰাজ্যিক সংখ্যালঘু বিভাগৰ সভাপতি ছলমান খানে কয় যে আমি পেহেলগামৰ ভয়ংকৰ ঘটনাক তীব্ৰ গৰিহণা দিছো। আমাৰ প্ৰাৰ্থনা শোকসন্তপ্ত পৰিয়ালৰ সৈতে আছে আৰু কঠোৰ তদন্ত আৰু দ্ৰুত ন্যায় দাবী কৰিছো। কেন্দ্ৰই আহতসকলৰ সঠিক চিকিৎসা সেৱা প্ৰাপ্ত কৰিবলৈ নিশ্চিত কৰিব লাগে। এইটো আচৰিত যে ইমান কঠোৰ নিৰাপত্তা থকা সত্বেও পাকিস্তানী সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশ কৰি এনে বৰ্বৰ কাৰ্য কৰিবলৈ সক্ষম হৈছে। এইটো আমাৰ চোৰাংচোৱা আৰু গৃহ বিভাগৰ এক স্পষ্ট ব্যৰ্থতা। আমি গৃহমন্ত্ৰীক দায়িত্ব ল'বলৈ আৰু চৰকাৰক সন্ত্ৰাসবাদৰ বিৰুদ্ধে এক সাহসী, আপোচহীন স্থিতি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছো। কংগ্ৰেছৰ প্ৰতিবাদকাৰীয়ে ৰাষ্ট্ৰীয় সুৰক্ষা সংস্থাসমূহক লৈ প্ৰশ্ন উত্থাপন কৰি কেন্দ্ৰীয় চৰকাৰক সন্ত্ৰাসবাদবিৰোধী ৰণনীতি সংশোধন আৰু শক্তিশালী কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছে কেৱল ৰাষ্ট্ৰীয় নিৰাপত্তাৰ লগতে স্থানীয় শাসনৰ বিফলতাৰ অভিযোগ উত্থাপন কৰে। আনহাতে, সাংবাদিকৰ মুখামুখি হৈ পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বৰ্তমান উজনি অসমৰ ব্যস্ত কংগ্ৰেছ সভাপতি ভূপেন বৰাই পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত ২৬ জন লোকৰ প্ৰাণ হেৰুওৱা ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি গুৰুতৰ নিৰাপত্তা ত্ৰুটি বুলি অভিহিত কৰি তীব্ৰ সমালোচনা কৰিছে। গৃহ মন্ত্ৰালয়ক নিৰাপত্তা ৰক্ষাৰ দায়িত্ব ল'বলৈ আহ্বান জনাই ভূপেন বৰাই কয় যে পেহেলগামত পৰ্যটকৰ নিৰ্মম হত্যাকাণ্ডক আমি গৰিহণা দিছো। এই সময়ত আমি একত্ৰিত হ'ব লাগিব আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে এক শক্তিশালী, ঐক্যবদ্ধ প্ৰতিক্ৰিয়া গঢ়িব লাগিব। সন্ত্ৰাসবাদীৰ বাবে কোনো ধৰ্ম বা জাতি নাই- সন্ত্ৰাসবাদ হৈছে সন্ত্ৰাসবাদ, ইয়াক নিৰ্মূল কৰিব লাগিব। চৰকাৰ আৰু গৃহ মন্ত্ৰালয়ে এনে এক অঞ্চলৰ নিৰাপত্তাৰ ক্ষেত্ৰত ত্ৰুটি স্বীকাৰ কৰিব লাগিব আৰু নিশ্চিত কৰিব লাগিব যাতে এনে ঘটনাৰ পুনৰাবৃত্তি কেতিয়াও নহয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# তৎক্ষণাত ভাৰত এৰিব লাগিব পাক নাগৰিকে

## আটাৰী সীমান্তত বন্ধ থাকিল গে'ট, নহ'ল কৰমৰ্দন

**নতুন দিল্লী, ২৪ এপ্ৰিল:** পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত চৰকাৰে পাকিস্তানৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। পঞ্জাবৰ আমৃতসৰত আটাৰি, হুছেইনীবালা আৰু সদকী সীমাত দীঘলীয়া সময়ৰ পৰা চলি থকা ৰিট্ৰীট অনুষ্ঠানতো আজি বহু পৰিৱৰ্তন দেখা যায়। আটাৰি ৰিট্ৰীট অনুষ্ঠানত আজি ইতিহাসত প্ৰথমবাৰৰ বাবে গেট খোলা নহ'ল আৰু বিএছএফ আৰু পাকিস্তানৰ ৰেঞ্জাৰসকলে কৰমৰ্দন নকৰিলে। এইটোৱে আগত বিএছএফ পঞ্জাব ফ্ৰন্টিয়াৰে প্ৰকাশ কৰা মতে এই ৰিট্ৰীট অনুষ্ঠানৰ সময়ছোৱাত হোৱা প্ৰতীকী প্ৰদৰ্শন সীমাবদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইফালে চিকিৎসা ভিছাত ভাৰতত থকা পাকিস্তানী নাগৰিকসকলক ৫ দিনৰ ভিতৰত দেশ এৰি যাবলৈ কোৱা হৈছে। ছাৰ্ক ভিছা ৰেহাই আঁচনিৰ অধীনত কোনো পাকিস্তানী নাগৰিকক দেশত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। পাকিস্তানী নাগৰিকসকলক জাৰী কৰা চিকিৎসা ভিছা কেৱল ২৯ এপ্ৰিললৈকে বৈধ হ'ব আৰু বিদেশীসকলক দেশ এৰি যাবলৈ তিনি দিনৰ সময় দিয়া হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। লগতে সন্ত্ৰাসবাদৰ প্ৰতি পাকিস্তানে সমৰ্থন প্ৰত্যাহাৰ নকৰালৈকে দিল্লীয়ে সিন্ধু জল চুক্তি স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে আৰু ভাৰতত পাকিস্তানৰ এক্স একাউণ্ট বাতিল কৰা হৈছে। আজি ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'সন্ত্ৰাসবাদীক নিশ্চয় শাস্তি দিয়া হ'ব। কোনো কাৰণতে তেওঁলোকক ৰেহাই দিয়া নহ'ব। যিসকল সন্ত্ৰাসবাদীয়ে এই আক্ৰমণ সংঘটিত কৰিছিল আৰু যিসকলে এই আক্ৰমণৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল তেওঁলোকে কল্পনা কৰাতকৈও কঠোৰ শাস্তি বিহা হ'ব।' তেওঁ লগতে কয় যে বৰ্তমান চিকিৎসাধীন হৈ থকা পৰিয়ালৰ সদস্যসকল যাতে সোনকালে সুস্থ হৈ উঠে তাৰ বাবে চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলাইছে।




**কাশ্মীৰত মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ অতুল মোনে, সঞ্জয় লেলে আৰু হেমন্ত যোশীৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছৰ, ফটো বৃহস্পতিবাৰৰ**



# 'আমি জীয়াই আছোঁ'

## পেহেলগামৰ ভুৱা ভিডিঅ'কলৈ স্পষ্টীকৰণ

**নতুন দিল্লী, ২৪ এপ্ৰিল:** ছ'চিয়েল মিডিয়াত প্ৰচাৰিত এটা বিভ্ৰান্তিকৰ ভিডিঅ'ত ভাৰতীয় নৌসেনাৰ লেফটেনেণ্ট বিনয় নৰৱাল আৰু তেওঁৰ পত্নী হিমানশী সোৱামীক পহেলগামত মঙলবাৰে সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ কেইঘণ্টামান আগতে নৃত্য কৰা দেখুওৱা বুলি মিছাকৈ দাবী কৰা হৈছে। বিষয়াজনৰ পৰিয়ালে দাবীটো অস্বীকাৰ কৰিছে, আৰু ভিডিঅ'টোত থকা দম্পতীহালে স্পষ্ট কৰিবলৈ আগবাঢ়ি আহিছে যে এইটো তেওঁলোকৰহে ভিডিঅ' আৰু তেওঁলোক সুকলমে আছে। ছচিয়েল মিডিয়াত ভ্ৰমণ সমল সৃষ্টি কৰা আশীষ চেহৰাৱত আৰু যশিকা শৰ্মাই ক্লিপটো তেওঁলোকৰ বুলি চিনাক্ত কৰাৰ পাছতে সত্য পোহৰলৈ আহে।

# আন্তঃৰাষ্ট্ৰীয় বিমান সেৱাৰ যাত্ৰাপথ সলনি

**নতুন দিল্লী, ২৪ এপ্ৰিল:** এয়াৰ ইণ্ডিয়া আৰু ইণ্ডিগ'ই বৃহস্পতিবাৰে একাধিক আন্তঃৰাষ্ট্ৰীয় সেৱাৰ বিমানৰ যাত্ৰাপথ সলনি কৰিছে। জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি পোৱাৰ সময়তে পাকিস্তানে হঠাতে ভাৰতীয় বিমান সেৱাৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিয়াৰ ফলত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। পাকিস্তানৰ আকাশমাৰ্গ বন্ধ হোৱাৰ বাবে উত্তৰ আমেৰিকা, ব্ৰিটেইন, ইউৰোপ, আৰু মধ্যপ্ৰাচ্যলৈ অহা-যোৱা কৰা ইয়াৰ কেইবাখনো বিমান এতিয়া দীঘলীয়া বিকল্প পথত চলিব। বিমান সংস্থাটোৱে এক্সৰ জৰিয়তে সদৰি কৰে যে, 'এই নিষেধাজ্ঞা আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত, কিন্তু গ্ৰাহক আৰু কৰ্মচাৰীৰ সুৰক্ষা সৰ্বোতকৈ ঊৰ্দ্ধত। নিষেধাজ্ঞাৰ ফলত আমাৰ যাত্ৰীসকলৰ অসুবিধা হোৱাৰ বাবে আমি দুখ প্ৰকাশ কৰিছোঁ।" ইণ্ডিগ'ৱেও অতিৰিক্ত মাচুল অবিহনে পুনৰ বুকিং আৰু ধন ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিছে। উল্লেখ্য, বৃহস্পতিবাৰে পাকিস্তানে আকাশমাৰ্গ বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল।

# ছত্তীশগড়ত তিনি নক্সালবাদী ধৰাশায়ী

## ৫ সহস্ৰাধিক সৈনিকৰ অভিযান

**ছত্তীশগড়, ২৪ এপ্ৰিলঃ** তেলেংগানা-ছত্তীশগড়ৰ ঘন অৰণ্যযুক্ত সীমান্ত অঞ্চলত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা গুলীয়াগুলীত কমেও তিনিজন নক্সালবাদী নিহত হয়। অঞ্চলটোত যোৱা ৪০ ঘণ্টা ধৰি প্ৰায় ৫০০০ নিৰাপত্তাৰক্ষীৰ সৈতে চলি থকা আন্তঃৰাজ্যিক অভিযান অব্যাহত আছে। এই ঘটনাক নিষিদ্ধ সংগঠন চিপিআই (মাওবাদী)ৰ বিৰুদ্ধে চলি থকা আটাইতকৈ ডাঙৰ আক্ৰমণহিচাপে উল্লেখ কৰা হৈছে। পৰৱৰ্তী সময়ত হতাহত মাওবাদীৰ সংখ্যা বৃদ্ধি পাব পাৰে।

# গৌতম গম্ভীৰক মৃত্যুৰ ভাবুকি

**নতুন দিল্লী, ২৪ এপ্ৰিল:** ভাৰতীয় ক্ৰিকেটাৰ গৌতম গম্ভীৰক মৃত্যুৰ ভাবুকি। ইমেইলৰ জৰিয়তে গম্ভীৰলৈ এই ভাবুকি প্ৰেৰণ কৰা হৈছে। এই বিষয়ে তেওঁ আৰক্ষীক অৱগত কৰি আনুষ্ঠানিকভাৱে অভিযোগ দাখিল কৰে। প্ৰাৰম্ভিক তদন্ত অনুসৰি এই ভাবুকি কাশ্মীৰ আইছিছে দিছে।

# পেহেলগামঃ চৰকাৰক সমৰ্থন কৰিব বিৰোধীয়ে

**নতুন দিল্লী, ২৪ এপ্ৰিল:** বৃহস্পতিবাৰে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত সৰ্বদলীয় বৈঠকত অংশগ্ৰহণ কৰা লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে কয় যে ২৬ জন লোকৰ মৃত্যু হোৱা শোকাৱহ ঘটনাৰ প্ৰতিক্ৰিয়াস্বৰূপে



যিকোনো প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ ক্ষেত্ৰত বিৰোধীয়ে চৰকাৰক সম্পূৰ্ণ সমৰ্থন কৰে। কংগ্ৰেছ তেওঁ কাইলৈ, ২৫ এপ্ৰিলত শ্ৰীনগৰ ভ্ৰমণ কৰি জিএমচি অনন্তনাগত আহতসকলৰ স্বাস্থ্যৰ খবৰ ল'বলৈ সৌজন্যমূলক সাক্ষাৎ কৰিব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# শুকুৰবাৰে ৰাজ্যৰ ছবিগৃহত মুক্তি পাব এখন নতুন অসমীয়া ছবি

## 'ঝংকাৰ'ৰ প্ৰিয়িমাৰ সম্পন্ন




■ প্ৰাঞ্জল এ. শৰ্মা

বাৰ্লিনৰ কিটজ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ পূৰ্ণদৈৰ্ঘৰ ছবি, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ সংগীত আৰু শ্ৰেষ্ঠ শিশু আৰু পৰিয়ালৰ বাবে বন্ধুত্বপূৰ্ণ ছবিৰ বঁটা অৰ্জন কৰিবলৈ সক্ষম হোৱা নতুন অসমীয়া পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ 'ঝংকাৰে' ২৫ এপ্ৰিল, শুকুৰবাৰে সমগ্ৰ অসমৰ ছবিগৃহত মুক্তি লাভ কৰিব। অসমৰ লোক সংগীতক মূল বিষয়বস্তু ৰূপে লৈ নিৰ্মাণ কৰা হৈছে অসমীয়া পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ 'ঝংকাৰ'।

ছবিখনৰ প্ৰযোজক আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী ড০ জয়ন্তী চুতীয়া আৰু পৰিচালক 'সংকল্প' খ্যাত হেম চন্দ্ৰ বৰা। গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত 'আইদেউ চিত্ৰগৃহ'ত আজি 'ঝংকাৰ'ৰ প্ৰিমিয়াৰ দৰ্শনী অনুষ্ঠিত হয়। প্ৰযোজনাৰ লগতে ছবিখনৰ কাহিনী ড০ জয়ন্তী চুতীয়াৰ। সংগীত পৰিচালনা সদানন্দ গগৈৰ আৰু সহযোগী পৰিচালক দীপক কুমাৰ ৰয়।

'ঝংকাৰ'ৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে ৰাগ ঐনিতম আৰু অনিন্দিতা ৰুদ্ৰজে। অন্যান্য চৰিত্ৰ সমূহ ৰূপায়ন কৰিছে দুলাল ৰয়, ৰেবা ফুকন, ৰাজীৱ গোস্বামী, তপজিৎ দত্তবৰা, পল ফুকন, পাৰ্থ দত্ত, ৰাজেন নেওগ, কবিতা শইকীয়া দেৱী, ৰাজেন ফুকন, দীপক কুমাৰ ৰয়, ত্ৰৈলোক্য কাশ্যপ, ৰাজ কুমাৰ ঠাকুৰ, অনাবিল মহন্ত, মামু নাথ, নুনুসিং কৰ্মকাৰ, অনিল শইকীয়া, ভগৱত প্ৰীতম, যুক্তা বৰা আৰু বহুকেইগৰাকী ন-পুৰণি শিল্পীয়ে। লগতে আছে শিশু শিল্পী গ্ৰান্থিক বৰা, বিপাঞ্চীকা বৰা, বৰ্ণাঢ্য প্ৰতিম




ফুকন, দৃধাংশু ৰুদ্ৰজ বৰা আৰু বহুতো। ঝংকাৰৰ গীতৰ ৰচনা বিশিষ্ট গীতিকাৰ মৃণাল কুমাৰ চৌধুৰী আৰু হেম চন্দ্ৰ বৰাৰ। গীতত কণ্ঠদান কৰিছে অনিন্দিতা পাল, সদানন্দ গগৈ, দীক্ষু শৰ্মা, গায়ত্ৰী শৰ্মা, ড°দিগন্ত গোস্বামী, তিলক নেৱাৰ, শতাব্দী খাতনিয়াৰ আৰু নিয়ন্তা ভাৰতীৰ লগতে কেইবাগৰাকীও শিশু শিল্পীয়ে।'

আইদেউ চিত্ৰগৃহ'ত অনুষ্ঠিত প্ৰিমিয়াৰত ছবিখনৰ প্ৰযোজক, পৰিচালক আৰু সকলো কলা-কুশলীৰ লগতে অসমীয়া চলচ্চিত্ৰ, সাংস্কৃতিক, সাংবাদ জগত আৰু অন্যান্য ক্ষেত্ৰৰ বহু কেইগৰাকী গন্য-মান্য ব্যক্তি উপস্থিত থাকে। শুকুৰবাৰে অসমৰ ২৮টা ছবিগৃহত মুক্তি লাভ কৰিবলগীয়া ঝংকাৰে অসমীয়া ছবিৰ দৰ্শক সকলক কাহিনী, চৰিত্ৰ আৰু সংগীত, সকলো দিশতে নতুনত্বৰ সোৱাদ দিবলৈ সক্ষম হ'ব।




# কৃষ্ণচূড়া.কম চুপা-চুপিৰ পিছত

## ছবি পৰিচালকৰ ৰূপত প্ৰণৱ ভৰালী

• ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

মে মাহত চিত্ৰগ্ৰহণ আৰম্ভ হ'বলগীয়া চুপা-চুপিৰ প্ৰযোজনা হৃষিকেশ পাটগিৰিৰ। এটলাছ ক্ৰিয়েছন আৰু এনকে মিডিয়াৰ বেনাৰত নিৰ্মাণ হ''বলগীয়া চিনেমাখনত অভিনয়ৰ বাবে চুক্তিবদ্ধ হৈছে কমল লোচন, সপ্তৰ্ষী গগৈ, জীত কলিতা, কৌশিক ভৰদ্বাজ, হিমাংশু প্ৰসাদ দাস, স্নিগ্ধা গগৈ, বৈভৱী গোস্বামী

কৃষ্ণচূড়া.কম আৰু চুপা-চুপি নামৰ দুখনকৈ চুপাৰহিট ৱেব চিৰিজ পৰিচালনা কৰি জনপ্ৰিয়তা লাভ কৰা যুৱ নাট্যকাৰ, পৰিচালক প্ৰনৱ ভৰালীয়ে এইবাৰ এখন পূৰ্ণদৈৰ্ঘ্যৰ চিনেমা পৰিচালনা কৰিবলৈ সাজু হৈছে। ইউটিউবত মুক্তিৰ পাছতেই জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা চুপা-চাপি নামৰ ৱেব চিৰিজখনৰ পাছত দৰ্শকৰ মাজত আলোচনা চলিছিল একে নামেৰে এখন চিনেমা নিৰ্মাণ হ'ব নেকি বুলি। প্ৰনৱ ভৰালীয়েও সেই প্ৰশ্নৰ সমুখীন হৈছিল। অৱশেষত



সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই কিছুদিন পূৰ্বে এটা ঘোষণাত্মক টীজাৰ মুকলি কৰি প্ৰনৱ ভৰালীয়ে সকলো দৰ্শকক অৱগত কৰালে যে এই বছৰতেই মুক্তি লাভ কৰিব তেওঁৰ অভিষেক অসমীয়া চিনেমা চুপা-চুপি। ইতিমধ্যে সেই টীজাৰটো লক্ষ-লক্ষ লোকে উপভোগ কৰি প্ৰশংসাৰে উপচাই পেলোৱা দেখা গৈছে।

মে মাহত চিত্ৰগ্ৰহণ আৰম্ভ হ'বলগীয়া চুপা-চুপিৰ প্ৰযোজনা হৃষিকেশ পাটগিৰিৰ। এটলাছ ক্ৰিয়েছন আৰু এনকে মিডিয়াৰ বেনাৰত নিৰ্মাণ হ''বলগীয়া চিনেমাখনত অভিনয়ৰ বাবে চুক্তিবদ্ধ হৈছে কমল লোচন, সপ্তৰ্ষী গগৈ, জীত কলিতা, কৌশিক ভৰদ্বাজ, হিমাংশু প্ৰসাদ দাস, স্নিগ্ধা গগৈ, বৈভৱী গোস্বামী,জিন্তু কুমাৰ কাশ্যপ, বেদব্ৰত বৰা, কিশোৰ তহবিলদাৰ,মৃণাল হালৈ আদিয়ে। চিনেমাখনৰ চিত্ৰগ্ৰহণ কৰিব বিতুল দাসে। সম্পাদনা আৰু কালাৰ গ্ৰেডিং উদ্দিপ্ত ভট্টাচাৰ্য।

আশা কৰা হৈছে যে চুপা-চুপিয়ে ৱেব চিৰিজখনতকৈয়ো আধিক জনপ্ৰিয়তা লাভ কৰিব। ইতিমধ্যেই ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে নাটক ৰচনা কৰিও দৃষ্টি আকৰ্শন কৰা প্ৰনৱ ভৰালীৰ প্ৰথমখন চিনেমাক লৈ অধিৰ আগ্ৰহী হৈ আছে অসমৰ দৰ্শকগন।

# অনিয়মিত বিদ্যুতে জ্বলা কলা খুৱাইছে নামৰূপৰ ৰাইজক

**ই-সংবাদ, নামৰূপ, ২৪ এপ্রিলঃ** বিগত কিছুদিনৰ পৰা নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ বিতৰণ বিভাগৰ গাফিলতি বাবে প্ৰায়েই বিদ্যুৎ ব্যাহত হৈ থকাটো নিয়মত পৰিণত হৈছে। এজাক বৰষুণ দিলেই বা বতাহত গছৰ পাত এখিলা সৰিলেই বিদ্যুৎ কৰ্তন হোৱাটো এক সাধাৰণ ঘটনাত পৰিণত হৈছে। বুধবাৰে গধুলি অহা এজাক বৰষুণতে বিদ্যুৎ কৰ্তন হৈ নামৰূপৰ সমগ্ৰ টাউনশ্বিপ অন্ধকাৰ হৈ পৰাৰ উপৰি পাৰ্শ্বৱৰ্তী বহু কেইখন গাঁও অন্ধকাৰত ডুব যায়। ইফালে, আজি বিয়লি পৰলৈকে বিদ্যুৎ সংযোগ নোহোৱাৰ ফলত নামৰূপত বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানৰ কাম-কাজ অচল হৈ পৰাৰ ফলত জৰুৰীকালীন সেৱাৰ পৰা বহু গ্ৰাহক বঞ্চিত হয়। ইফালে, নামৰূপ চহৰৰ মাজ মজিয়াত থকা ইউনাইটেড কমাৰ্চিয়েল বেংকটোত বুধবাৰে নিশাৰ পৰাই বিদ্যুৎ ব্যাহত হৈ পৰাৰ ফলত বৃহস্পতিবাৰে গোটেই দিনটো গ্ৰাহকে বেংক সেৱাৰ পৰা বঞ্চিত হয়। বেংকৰ নিজাববীয়াকৈ জেনেৰেটৰৰ ব্যৱস্থা নথকাৰ ফলত বেংকৰ গ্ৰাহকসকলে গোটেই দিনটো কোনো ধৰণৰ ট্ৰেনজেকচন কৰিব নোৱাৰিলে। ইফালে, চৌবিশ ঘণ্টাতকৈ অধিক সময় জেনেৰেটৰৰে বি এছ এন এল সেৱা আবঢ়াইছিল যদিও দুপৰীয়াৰ পৰা বি এছ এন এল সেৱাও ব্যাহত হৈ পৰে। গুৰুত্বপূৰ্ণ যে নামৰূপ বিদ্যুৎ বিতৰণ উপ-সংমণ্ডলৰ অধীনত আছে চৰাইদেউ জিলাৰ বৰপাত্ৰৰ পৰা ডিব্ৰুগড় জিলাৰ নামৰূপ, জয়পুৰ, নাহৰকটীয়াৰ সাৰদা, নামফাকে, বলিমৰা চাহ বাগিচা, অসমীয়া গাঁওকে ধৰি এক বৃহৎ অঞ্চল যদিও এই বৃহৎ পৰিসৰৰ গ্ৰাহকসকলক বিদ্যুৎ নিয়মীয়াকৈ যোগান ধৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে নামৰূপ বিদ্যুৎ উপ-সংমণ্ডল।

# বৰপথাৰত কৰ্মৰত অৱস্থাত বিদ্যুৎ বিভাগৰ কৰ্মচাৰী দুৰ্ঘটনাগ্ৰস্ত

**ই-সংবাদ, সৰুপথাৰ, ২৪ এপ্রিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰৰ টেঙানিৰ তিনিকুৰীয়াত কৰ্মৰত অৱস্থাতে বিদ্যুৎ বিভাগৰ এজন কৰ্মচাৰী বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰ ৰূপত আঘাতপ্ৰাপ্ত হোৱাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে, আজি এ পি ডি চি এলৰ বৰপথাৰৰ কাৰ্যালয়ৰ অধীনৰ কৰ্মচাৰী লৰ দলেই আন সহকৰ্মীৰ সৈতে উক্ত গাঁওখনত বিদ্যুতৰ বিজুতি মেৰামতি কৰি থকা অৱস্থাত হঠাতে বিদ্যুৎ পৰিবহণ সক্ৰিয় হোৱাত গুৰুতৰ ৰূপত আঘাতপ্ৰাপ্ত হয়। টেঙানিৰে বাসিন্দা উক্ত কৰ্মচাৰীজনক ততাতৈয়াকৈ বৰপথাৰৰ স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয় যদিও পিছত তেওঁক উন্নত চিকিৎসাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰা হয়।

# গোলকগঞ্জত বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

**ই-সংবাদ, গোলকগঞ্জ, ২৪ এপ্রিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিৰাট নগৰ চাৰিআলিৰ এখন দোকানত নিশা বিদ্যুৎস্পৃষ্ট হৈ এজন লোকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত লোকজন বালাজান এক নং ৱাৰ্ডৰ প্ৰফুল্ল কৰ্মকাৰৰ পুত্ৰ নিৰ্মল কৰ্মকাৰ(৪২)। জানিব পৰা মতে, বজাৰখনৰ সুবল ৰায়ৰ মৰমী টি ষ্টলৰ কৰ্মচাৰী নিৰ্মল কৰ্মকাৰ নিশা দোকানখনতে থাকে। অইন দিনৰ দৰে যোৱা নিশাও তেওঁ দোকানখনতে আছিল। ইনভাৰ্টাৰৰ চুইছ দিবলৈ গৈ কৰ্মকাৰ বিদ্যুৎস্পৃষ্ট হোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। আজি পুৱা বহু পলমকৈ দোকানখন নোখোলাত দোকানলৈ অহা আন কৰ্মচাৰীৰ সন্দেহ হয়। কৰ্মচাৰীসকলে দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি ইনভাৰ্টাৰৰ তাঁৰ হাতত লাগি ধৰি কৰ্মকাৰক কাষতে মৃত অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে। ঘটনাক লৈ হুৱাদুৱা লাগে। দোকানখনৰ স্বত্বাধিকাৰী সুবল ৰায় উপস্থিত হৈ গোলকগঞ্জ আৰক্ষীক খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰে।

# পেহেলগামৰ ঘটনাক আমছুৰ গৰিহণা

**ই-সংবাদ, কলগাছিয়া, ২৪ এপ্রিলঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত কলগাছিয়া চাৰিআলি চকত বুধবাৰে সন্ধিয়াত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কলগাছিয়া জিলা সমিতিয়ে বন্তি প্ৰজ্বলন কৰি কাশ্মীৰৰ পেহেলগামত সংঘটিত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে হত্যাৰ বলি হোৱা পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আমছুৰ কলগাছিয়া জিলা সমিতিৰ সভাপতি ছাহজাহানআলী আহমেদৰ লগতে আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ইউনুচ আলী, সম্পাদক লুতফৰ ৰহমান, জিলা সমিতিৰ নেতা ফিৰদৌছ আলীকে ধৰি বহু নেতা-কৰ্মী উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰে। আমছু নেতা লুতফৰ ৰহমানে বিজেপি চৰকাৰৰ গৃহ বিভাগক তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে বিজেপি চৰকাৰ আৰু অমিত শ্বাহৰ গৃহ বিভাগ চৰম ব্যৰ্থ হৈছে বুলি কৈ গৃহমন্ত্ৰীৰ পদত্যাগ দাবী কৰে। আমছুৰ নেতাসকলে বন্তি প্ৰজ্বলন কৰাৰ পিছত সন্ত্ৰাসবাদী মুৰ্দাবাদ, পাকিস্তান মুৰ্দাবাদ, পাকিস্তান হুচিয়াৰ আদি শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

# কলগাছিয়াত ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, কলগাছিয়া, ২৪ এপ্রিলঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত কলগাছিয়া মাছ বজাৰৰ কাষত থকা মাইনুদ্দিনৰ দোকানত আৰক্ষীয়ে তালাচী চলাই বৃহস্পতিবাৰে বহু পৰিমাণৰ নিচাযুক্ত দ্ৰব্য উদ্ধাৰ কৰে। আৰক্ষীৰ অভিযানৰ খবৰ পাই সুযোগ বুজি কুখ্যাত ড্ৰাগছ ব্যৱসায়ী মাইনুদ্দিন ঘটনাস্থলীৰ পৰা পলায়ন কৰে যদিও কাষতে থকা আমিনুল হক নামৰ আন এজন ভাং ব্যৱসায়ীক ভাঙৰ টোপোলাসহ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে তালাচী চলাই মাইনুদ্দিনৰ দোকানৰ পৰা ৩.৩৮ গ্ৰাম ড্ৰাগছ, ১৮৮.৭৫ গ্ৰাম গাঞ্জা, বহু পৰিমাণৰ ড্ৰাগছ ব্যৱহাৰ কৰা সামগ্ৰী, কোৰেক্স আদি উদ্ধাৰ কৰাৰ লগতে আমিনুল হকৰ দোকানৰ পৰাও বহু পৰিমাণৰ গাঞ্জা জব্দ কৰে। দীৰ্ঘদিন ধৰি মাইনুদ্দিনে কলগাছিয়া বজাৰত গাঞ্জা আৰু ড্ৰাগছৰ ব্যৱসায় চলাই যুৱ প্ৰজন্মক ধ্বংসৰ পথলৈ ঠেলি দি আহিছে যদিও আজি কলগাছিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তৰ নেতৃত্বত চলোৱা অভিযানত আমিনুল হক নামৰ ভাং ব্যৱসায়ীটোক আটক কৰিবলৈ সক্ষম হয়। এনে ভূমিকাৰ বাবে আৰক্ষীক ধন্যবাদ জনাইছে ৰাইজে। নিচাজাতীয় দ্ৰব্যৰ ব্যৱসায়ৰ লগত জড়িত থকাসকলক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে ৰাইজে।

# কাশ্মীৰত সন্ত্ৰাসবাদীৰ গুলীত নিহত লোকলৈ গোৰ্খা ছাত্ৰ সন্থাৰ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, সৰুপথাৰ, ২৪ এপ্রিলঃ** জম্মু-কাশ্মীৰত পৰ্যটকলৈ লক্ষ্য কৰি সন্ত্ৰাসবাদীয়ে গুলী চালনা কৰিছিল। যাৰ ফলত প্ৰায় ২৮ জন পৰ্যটকৰ মৃত্যু হয়। উক্ত ঘটনাক সকলোৱে এক মুখে গৰিহনা দিছিল। ইছলামিক সন্ত্ৰাসবাদী সংগঠনটোৱে নিৰীহ পৰ্যটকক গুলীয়াই হত্যা কৰা কাৰ্যত উৰিয়ামঘাট আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাই গৰিহণা দিয়াৰ লগতে ঘটনাত নিহতসকলৰ আত্মাৰ সদগতি কামনাৰে বন্তি প্ৰজ্বলন কৰে। উক্ত কাৰ্যসূচীত গোৰ্খা ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি কৰ্ণ সিং লিম্বু, জিলাৰ উপ-সভাপতি দুৰ্যোধন লিম্বুৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# তামুলপুৰ কচুবাৰী যুৱক সংঘৰ সোণালী জয়ন্তী বৰ্ষ ৰঙালী বিহুৰ আয়োজন

ই-সংবাদ, তামুলপুৰ, ২৪ এপ্ৰিলঃ অহা ৭, ৮ আৰু ৯ মে'ত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কচুবাৰী বণিক সন্থাৰ বাকৰিত কচুবাৰী যুৱক সংঘৰ সৌজন্যত 'সোণালী জয়ন্তী' বৰ্ষ ৰঙালী বিহু উদযাপনৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৭ মে'ৰ দিনা পুৱা বিহুৰ মুখ্য পতাকা উত্তোলন কৰিব সোণালী জয়ন্তী বৰ্ষ বিহু উদযাপন সমিতিৰ সভাপতি জলেন দৈমাৰী আৰু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি সুৰেন ৰাভাই। পতাকা উত্তোলন অনুষ্ঠানত অঞ্চলটোৰ সমাজকৰ্মীসকলৰ দ্বাৰা মুঠ পঞ্চাশখন পতাকা উত্তোলন কৰা হ'ব। পুৱা ৯.৩০ বজাত স্মৃতি তৰ্পণ অনুষ্ঠানত স্মৃতি তৰ্পণ কৰিব কচুবাৰী যুৱক সংঘৰ প্ৰতিষ্ঠাপক সভাপতি কামেশ্বৰ দাসে। পুৱা ১০ বজাত তোৰণ উন্মোচন কৰিব বিশিষ্ট চিকিৎসক ডাঃ কংকন চন্দ্ৰ ৰাভাই। পুৱা ১০.৩০ বজাত ৰভাতলী উন্মোচন কৰিব আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ ৰাজ্যিক সম্পাদক দয়াল দাসে। পুৱা ১০.৪৫ বজাত মঞ্চ উন্মোচন কৰিব চিকিৎসক ডাঃ মুনিন কুমাৰ দাসে। পুৱা ১১.১৫ বজাত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক ৰাজেশ বড়োই। আবেলি ৪ বজাত স্মৃতিগ্ৰন্থ উন্মোচন আৰু কচুবাৰী যুৱক সংঘৰ ন-পুৰণি সদস্য সন্মিলন। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাৰায়ণ ব্ৰহ্মই। সন্ধিয়া ৫.৩০ বজাত অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী, শিক্ষক, সংগঠনসমূহৰ বিষয়ববীয়াসকলৰ দ্বাৰা ৫০ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। মুখ্য বন্তি প্ৰজ্বলন কৰিব আফা নাৰ্চাৰীৰ স্বত্বাধিকাৰী মিলন বড়োই। সন্ধিয়া ৬ বজাত মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব বিটিআৰৰ মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভাই। ৮ মে'ৰ দিনা পুৱা ১০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব চিত্ৰ শিল্পী অনিল বড়োই। পুৱা ১১.৩০ বজাত ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰিব যুৱ ব্যৱসায়ী জ্যোতিষ গায়নে। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন কৰিব কচুবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক বনজিৎ গায়ন আৰু কচুবাৰী হাইস্কুলৰ সহকাৰী শিক্ষক গণেশ ৰাভাই। সন্ধিয়া ৬ বজাত বটা বিতৰণী আৰু দাতা সম্বৰ্ধনা অনুষ্ঠান। বটা বিতৰণ কৰিব টিচিএলচিচিৰ অধ্যক্ষ পবিত্ৰ নাৰ্জাৰীয়ে। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিটিআৰৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেবেন বড়োই। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব শিল্পী মৌনচোম বড়োই। অনুষ্ঠানত সন্মানীয় অতিথি হিচাবে অংশগ্ৰহণ কৰিব সাংসদ দিলীপ শইকীয়া, তামুলপুৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, তামুলপুৰ জিলা আৰক্ষী অধীক্ষক দিগন্ত চৌধুৰী আৰু বিশিষ্ট সাহিত্যক গোপাল জালানে। ৯ মে'ৰ দিনা পুৱা ৯ বজাত বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন কৰিব বিটিআৰৰ পাৰিষদ বিজিৎগৌৰা নাৰ্জাৰী, গুৱাহাটীৰ যুৱ ব্যৱসায়ী দেৱজিৎ নাৰ্জাৰী, কচুবাৰীৰ সত্যৰাম দাস আৰু বাৰাংগাবাৰীৰ পৱিত্ৰ ৰাভাই। সন্ধিয়া প্ৰয়াত বজ্ৰহীৰা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব ভগ্নীদ্বয় ৰূপাংকৃতা কলিতা আৰু অলংকৃতা কলিতাই। মঞ্চত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব দীপাংকৰ ৰাভা আৰু মহেন্দ্ৰ ৰাভাই।

# ডিব্ৰুগড়ত পঞ্চায়ত নিৰ্বাচনী ইস্তাহাৰ ঘোষণা অসম জাতীয় পৰিষদৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ এপ্ৰিলঃ** যোৱা ২৩ এপ্ৰিলত অসম জাতীয় পৰিষদে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী ইস্তাহাৰ ডিব্ৰুগড়ত প্ৰকাশ কৰে। শাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণ, স্বচ্ছতা, আৰু স্বাৱলম্বী গ্ৰাম্য অৰ্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি দলটোৱে এক বিস্তৃত ১২ দফীয়া ৰোডমেপৰ জৰিয়তে পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মহাত্মা গান্ধীৰ গ্ৰাম স্বৰাজৰ ধাৰণাক গ্ৰাম্য সবলীকৰণৰ ভেটি হিচাপে গ্ৰহণ কৰাটো দলটোৱে সমৰ্থন কৰে। সংবাদমেলত দলৰ সভাপতি লুৰীণজ্যোতি গগৈ, সাধাৰণ সম্পাদক জগদীশ ভূঞা, মুখপাত্ৰ জিয়াউৰ ৰহমানকে ধৰি অন্যান্য কেন্দ্ৰীয় নেতাই এই ইস্তাহাৰ প্ৰকাশ কৰে। ৯ পৃষ্ঠাৰ ইস্তাহাৰত দলটোৱে গ্ৰাম সভাক উন্নয়নৰ বাবে প্ৰাথমিক সিদ্ধান্ত গ্ৰহণকাৰী সংস্থা হিচাপে স্বীকৃতি দিছে আৰু বাজেট, পৰিকল্পনা, শিক্ষা, স্বাস্থ্য, পানী, আৰু অনাময় আদি সেৱাৰ ওপৰত পঞ্চায়তসমূহক সম্পূৰ্ণ দায়িত্ব দিয়াৰ প্ৰতিশ্ৰুতি দিছে। দলটোৰ মতে, প্ৰতিখন পঞ্চায়তত মাহেকীয়া গ্ৰামসভা বাধ্যতামূলক কৰা, বাজেট আৰু আঁচনি অনলাইনযোগে প্ৰকাশ কৰা, পঞ্চায়তৰ কাৰ্যালয়ত বাজেট ব'ৰ্ড প্ৰদৰ্শন কৰা, ১১ জনীয়া ৰাজহুৱা নিৰীক্ষণ সমিতি গঠন কৰা আদি তেওঁলোকৰ লক্ষ্য। স্থানীয় অৰ্থনীতি আৰু উদ্যোগীকৰণক উন্নীত কৰাৰ উদ্দেশ্যে সমগ্ৰ অসমৰ গাঁৱে-ভূঞে "এক পঞ্চায়ত, এক উৎপাদন" আৰ্হি প্ৰৱৰ্তনৰ লক্ষ্য লৈছে। এই আৰ্হিৰ অধীনত পঞ্চায়তসমূহে পৰম্পৰাগত শিল্পকৰ্ম, হস্ততাঁত, দুগ্ধ, হাঁহ, কুকুৰা, গৰু, ছাগলী, গাহৰি পালন, আৰু থলুৱা খাদ্য উৎপাদনক প্ৰসাৰিত কৰিব। বেংক ঋণ আৰু উদ্যোগীসকলৰ বাবে প্ৰশিক্ষণৰ সুবিধাৰ বাবে পঞ্চায়তসমূহ ব্যৱহাৰ কৰাৰ লক্ষ্যও তেওঁলোকৰ।কৃষকৰ উন্নয়নৰ বাবে প্ৰতিখন পঞ্চায়ততে কৃষক উপদেষ্টা সমিতি গঠন, জৈৱিক সাৰ আৰু চাহ উৎপাদনৰ প্ৰসাৰ, পঞ্চায়তসমূহক ধান ক্ৰয়ৰ দায়িত্ব অৰ্পণ কৰা আদি ইস্তাহাৰত উল্লেখ আছে। ইস্তাহাৰখনত সকলো পঞ্চায়ত সমিতিত মহিলা আৰু যুৱক-যুৱতীসকলৰ ৫০% অংশগ্ৰহণ নিশ্চিত কৰা, এটা "ৰাষ্ট্ৰীয় সেৱা দল" গঠন কৰা, আৰু ডিজিটেল শিক্ষা আৰু উদ্যোগিক প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।শিক্ষা, স্বাস্থ্য, আৰু পুষ্টিৰ ক্ষেত্ৰত চৰকাৰী বিদ্যালয়, স্বাস্থ্য কেন্দ্ৰ, আৰু অংগনবাড়ী কেন্দ্ৰসমূহক পঞ্চায়তৰ নিয়ন্ত্ৰণলৈ অনা, আৰু বিদ্যালয়সমূহত "পুষ্টি বাগিচা" স্থাপন কৰাটো পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে। আন্তঃগাঁথনি আৰু পৰিৱেশ সুৰক্ষাৰ বাবে পথ, নিষ্কাশন, আৰু খোৱাপানীৰ সুবিধাৰ পৰিকল্পনাত জনমতক অগ্ৰাধিকাৰ দিয়া হ'ব। ইয়াৰ উপৰি বৃক্ষৰোপণ আৰু সজাগতা অভিযান আৰম্ভ কৰা হ'ব। উল্লেখ্য যে ইস্তাহাৰখনে ভাষা, সংস্কৃতি, ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক জড়িত কৰাৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰিছে। ইয়াত অসমীয়া, মিছিং, বড়ো, কাৰ্বি, ডিমাছা, ৰাভা, তিৱা, আৰু অন্যান্য ভাষা সংৰক্ষণৰ বাবে "লোক সংস্কৃতি শিক্ষণ কেন্দ্ৰ" স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে, নাট আৰু নৃত্যৰ দলসমূহক সহায় কৰা, পঞ্চায়তৰ জৰিয়তে সাংস্কৃতিক সংৰক্ষণৰ বাবে সাহিত্য সংগঠনৰ সৈতে সমন্বয় স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। তদুপৰি, ইস্তাহাৰত পঞ্চায়ত সমূহক অধিক আইনী আৰু আৰ্থিক ক্ষমতা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে, স্থানীয় বিবাদ সমাধানৰ বাবে "ন্যায় পঞ্চায়ত" (ন্যায় পঞ্চায়ত) গঠন কৰা, আৰু জিলা পৰিকল্পনা সমিতিসমূহত পঞ্চায়তৰ প্ৰাধান্য নিশ্চিত কৰা। ভাৰতীয় সংবিধানৰ ৭৩ সংখ্যক সংশোধনী অনুসৰি বৰ্তমান ৰাজ্যৰ নিয়ন্ত্ৰিত ২৯টা প্ৰজাক পঞ্চায়তলৈ হস্তান্তৰ কৰিবলৈ দলটোৱে আহ্বান জনাইছে। এই প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী কৰাৰ বাবে দলটোক সমৰ্থন কৰিবলৈ ভোটাৰসকলক আহ্বান জনাই এজেপি নেতৃত্বই।

# তামুলপুৰত গোলাপ ফুল বিতৰণ

**ই-সংবাদ, তামুলপুৰ, ২৪ এপ্ৰিলঃ** বি টি আৰ প্ৰশাসনৰ উদ্যোগত সমগ্ৰ বিটিআৰত শান্তি স্থাপনৰ বাবে এক মিছন আৰম্ভ কৰা হৈছে। এই শান্তি মিছনৰ অধীনত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰ চহৰ নগৰসমূহত ব্যৱসায়ীসকলৰ মাজত এজোপাকৈ গোলাপ ফুল বিতৰণ কৰি আহিছে। আজি তামুলপুৰ পৌৰসভাৰ অধীনস্থ কচুবাৰী, মটংগা চ'ক, বজাৰ চ'ক বৰখাটা, ঘগ্ৰাচ'ক, পূৰণ তামুলপুৰ আৰু মেডিকেল চ'কত এই শান্তিৰ বাবে এজোপাকৈ গোলাপ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজি পুৰা দহ বজাত তামুলপুৰ জিলা সদৰস্থ কচুবাৰী চ'কৰ ব্যৱসায়ীসকলৰ ব্যৱসায়ী প্ৰতিষ্ঠানৰ সন্মুখত গোলাপ ফুল ৰাখি শোভাবৰ্ধনৰ বাবে একোজোপা গোলাপ ফুল বিতৰণ কৰে। পৌৰপতি বাণীকান্ত বসুমতাৰীয়ে কচুবাৰী চ'কৰ ব্যৱসায়ীসকলৰ মাজত একোজোপাকৈ ভিন্ন প্ৰজাতিৰ গোলাপ ফুল বিতৰণ কৰি ফুলসমূহ সংৰক্ষণ কৰি প্ৰতিপালন কৰাৰ লগতে প্ৰতিষ্ঠানসমূহৰ সন্মুখৰ শোভা বৰ্ধক হিচাপি ৰাখি বিটিআৰৰ শান্তি স্থাপনত কিছু হ'লেও অৰিহনা যোগাবলৈ আহ্বান জনায়। আজিৰ এই শান্তিৰ বাবে এজোপা গোলাপ বিতৰণ কাৰ্যসূচীত তামুলপুৰ পৌৰসভাৰ সচিব তথা চক্ৰ বিষয়া ইলিমা কান্দলিমা, উপ-পৌৰপতি অৰ্চনা চৌধুৰী, যুৱ সমাজকৰ্মী মিলন বড়োসহ কচুবাৰী চ'কৰ ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ব্যৱসায়ীসকলৰ মাজত এনেদৰে এজোপাকৈ গোলাপ বিতৰণ কৰা কাৰ্যৰ বাবে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰ প্ৰশাসনক ভূয়সী প্ৰশংসা কৰিছে সচেতন মহলে।

# সু-চিকিৎসক পি কে গৌতমলৈ 'সোণাইপৰীয়া জনহিতৈষী বঁটা'



**ই-সংবাদ, বেবেজীয়া, ২৪ এপ্ৰিলঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ ক'ৰ্চুং সত্ৰ ৰাস মন্দিৰ প্ৰাংগণত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও 'বিহু বিনন্দীয়া' শীৰ্ষক সোনাইপৰীয়া ৰঙালী বিহু উৎসৱটি অহা ৩০ এপ্ৰিল আৰু ১ মে'ত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদযাপনৰ দিহা কৰা হৈছে। এইবাৰ ১৮ সংখ্যক বৰ্ষত পদাৰ্পন কৰা এই ৰঙালী বিহু উৎসৱৰ লগত সংগতি ৰাখি উদযাপন সমিতিয়ে এইবেলিও সমাজৰ হকে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা এজন ব্যক্তিক প্ৰদান কৰিব 'সোণাইপৰীয়া জনহিতৈষী বঁটা'। সোণাইপৰীয়া ৰঙালী বিহু উৎসৱ উদযাপন সমিতিয়ে দ্বিতীয়বাৰৰ বাবে প্ৰদান কৰিবলৈ লোৱা এই বঁটাটিৰ বাবে এইবাৰ নিৰ্বাচিত কৰিছে মানৱদৰদী বিশিষ্ট চিকিৎসক ডাঃ পি কে গৌতমক। কৰ্মসূত্ৰে নগাঁৱত বাস কৰা যোৰহাটৰ এইগৰাকী বিশেষজ্ঞ চকু চিকিৎসকে ২০১৬ চনৰ পৰা নিৰৱচ্ছিন্নভাৱে চিকিৎসা সেৱাত জড়িত হৈ আহিছে। বৰ্তমান তেওঁ মধ্য অসমৰ অন্যতম চকু চিকিৎসাৰ অগ্ৰণী প্ৰতিষ্ঠান নগাঁওস্থিত 'ব্ৰহ্মপুত্ৰ আই কেয়াৰ'ত কৰ্মৰত হৈ থকাৰ সমান্তৰালভাৱে দীৰ্ঘদিনৰে পৰা সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি নিজকে সমাজসেৱাত নিয়োজিত কৰি ৰাখিছে। দুদিনীয়াকৈ আয়োজিত সোণাপৰীয়া ৰঙালী বিহু উৎসৱত এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত এই বঁটাটি আনুষ্ঠানিকভাৱে ডাঃ পি কে গৌতমক প্ৰদান কৰা হ'ব বুলি উদ্যোক্তা সমিতিৰ হৈ সাংস্কৃতিক সম্পাদক অনুপ বৰাই জানিবলৈ দিছে।

# পূব হাতীচোং চকলাঘাট আঞ্চলিক অখণ্ড ভাগৱত পাঠৰ সামৰণি

**ই-সংবাদ, বেবেজীয়া, ২৪ এপ্ৰিলঃ** বৈকুণ্ঠৰ কল্পতৰু সদৃশ মহাভাগৱত শাস্ত্ৰৰ শ্ৰৱণ-কীৰ্তনৰে মুখৰিত এক মনোমোহা আধ্যাত্মিক পৰিৱেশত যোৱা ৩ ব'হাগৰ পৰা চকলাঘাট ৰাস মন্দিৰত চলি থকা ৩৪ সংখ্যক সাতদিনীয়া অখণ্ড ভাগৱত পাঠৰ বৃহস্পতিবাৰে সামৰণি পৰে। সেয়ে পাঠ সমাপ্তিৰ অন্তত দুপৰীয়া ভাগৱত পাঠৰ আচাৰ্য সোমেশ্বৰ বৰা, তাহিৰাম দাস আৰু দিলীপ মুদৈয়ে পৱিত্ৰ মহা ভাগৱত গ্ৰন্থ শিৰত তুলি লৈ মন্দিৰ প্ৰাংগণত সমবেত প্ৰায় সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ মাজত প্ৰদক্ষিণ কৰাৰ লগে লগে সকলোৰে ভাগৱত গ্ৰন্থৰ সন্মুখত সেৱা লৈ আশীৰ্বাদ গ্ৰহণ কৰা দেখা যায়। ইয়াৰ পিছত নাম-প্ৰসংগ, ভোগ বিতৰণ আৰু ভকত বিদায় পৰ্ব সমাপন কৰা হয়। উদযাপন সমিতিৰ সম্পাদক যজ্ঞেশ্বৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সহকাৰী সম্পাদক কল্যাণ কুমাৰ বৰাৰ লগতে পাঠ পৰিচালক লক্ষী বৰাই আঁত ধৰা সামৰণি অনুষ্ঠানতে চকলাঘাট ৰাস মন্দিৰকে ধৰি অঞ্চলটোৰ সকলো অনুষ্ঠানৰে একান্ত সেৱক সদ্য প্ৰয়াত প্ৰেমাধৰ বৰাৰ স্মৃতিচাৰণ কৰি পৰিয়ালবৰ্গৰ হাতত এটি শোক প্ৰস্তাৱ অৰ্পন কৰা হয়। সামৰণি অনুষ্ঠানত বয়োজ্যেষ্ঠ সমাজকৰ্মী মিলাৰাম বৰা, নিৰ্মল ভূঞা, মোহন মুদৈ, মহেশ্বৰ শইকীয়া, বিশিষ্ট নাট্যকাৰ গম্ভীৰ শইকীয়া, প্ৰবীণ শিল্পী ক্ষিতেশ্বৰ বৰা, হাতীচোং সাহিত্যৰ সভা সমাজ সাংস্কৃতিক সমিতিৰ সভাপতি দেৱ কুমাৰ বৰা, ৰাস মন্দিৰৰ প্ৰাক্তন সম্পাদক অনন্ত শইকীয়া, উদযাপন সমিতিৰ সভাপতি শিৱ বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আইলক্ষ্মী আঞ্চলিকৰ সভাপতি ফণীন্দ্ৰ বৰা, চকলাঘাট ক্ৰীড়া সন্থাৰ সভাপতি অতুল শইকীয়া, চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি উৎপল হাজৰিকা, হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ সম্পাদক জ্যোতিপ্ৰসাদ বৰা, সমাজকৰ্মী প্ৰদীপ ভূঞা, অশ্বিনী বৰা, দিপক শইকীয়া, হীৰেন নাথ, বিকাশ বৰা, পদুম শইকীয়া আদি উপস্থিত থাকে। উক্ত অনুষ্ঠানতে সাতোদিন ধৰি নিয়াৰিকৈ পাঠ ভাগ আগবঢ়াই নিয়া পাঠভাগৰ উদ্বোধক লক্ষী বৰা, পাঠ পৰিচালক প্ৰকাশ মুদৈ, বিকাশ মুদৈ, ঘন শইকীয়াকে ধৰি দূৰণিবটীয়া পাঠকসকলক সন্মান জনোৱা হয়। বিয়লি এক ভক্তিগধুৰ অনুষ্ঠানত ধৰ্মধ্বজা অৱনমন কৰে অখণ্ড ভাগৱত পাঠ উদ্‌যাপন সমিতিৰ উপ সভাপতি চেনিৰাম ভূঞাই আৰু অনুষ্ঠানটোৰ একনিষ্ঠ সেৱক অতুল হাজৰিকাই অৱনমিত ধৰ্মধ্বজাভাগ শিৰত তুলি মন্দিৰলৈ অনায়ন কৰাৰ পাছতেই সাতদিনীয়া অখণ্ড ভাগৱত পাঠৰ আনুষ্ঠানিকভাৱে সামৰণি পৰে।

# বিজেপিত যোগ দিয়াৰ বাবে অ'বিচি উন্নয়ন বোৰ্ডৰ চেয়াৰমেন পদ কৰ্তন

**ই-সংবাদ, পৰ্বতঝোৰা, ২৪ এপ্ৰিলঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অ'বিচি উন্নয়ন বৰ্ডৰ চেয়াৰমেন হিচাপে কৰ্মৰত এজনক পদৰ পৰা কৰ্তন কৰি বেলেগ এজনক পদত অধিষ্ঠিত কৰা বুলি জানিব পৰা গৈছে। চেয়াৰমেন পদ হেৰুওৱা চন্দন কুমাৰ বৰ্মনে আজি সংবাদ মাধ্যমযোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। পৰ্বতঝোৰা মহকুমা অ'বিচি উন্নয়ন বোৰ্ডৰ চেয়াৰমেন হিচপে ইউপিপিএলৰ একক একনিষ্ঠ কৰ্মীহৈ থকাৰ সুবাদতে তেওঁ দীৰ্ঘদিনৰ পৰা উক্ত পদত অধিষ্ঠিত হৈ আছিল বুলি চন্দন কুমাৰ বৰ্মনে প্ৰকাশ কৰে। লগতে পৰ্বতঝোৰা অ'বিচি উন্নয়ন বোৰ্ডৰ পদ হেৰুৱা চন্দন কুমাৰ বৰ্মনে কয় যে তেওঁ এই বছৰৰ যোৱা ফেব্ৰুৱাৰী মাহৰ ১৮ তাৰিখলৈকে ইউপিপিএল দলত থাকি দলৰ হৈ কাম কৰিছিল। কিন্তু যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে তেওঁ লগতে দলৰ আন আন দলৰ কৰ্মীৰ লগতে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰিছিল। কিন্তু ২৩ এপ্ৰিল তাৰিখে তেওঁক আনুষ্ঠানিভাৱে কোনা ধৰণৰ জাননী তথা আত্মপক্ষ সমৰ্থনৰ সুযোগ নিদিয়াকৈ বেলেক এজনক উক্ত পদত অধিষ্ঠিত কৰাত তেওঁ ক্ষুণ্ণ হৈ পৰে।আৰু বিজেপি মিত্ৰদল হোৱাৰ পাছতো এনে সিদ্ধান্ত গ্ৰহণ কৰাক লৈ ক্ষোভ উজাৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কিশোৰীৰ সৈতে অপকৰ্ম কৰি

দুয়োজনেই অপকৰ্ম কৰি কিশোৰীগৰাকীক অন্তঃসত্তা কৰাৰ অভিযোগ উত্থাপন হৈছে। গেলেকী বিষ্ণুপুৰ আদৰ্শ গাঁৱৰ যুৱক সঞ্জীৱ ৰয় (১৯) আৰু গৌৰীকান্ত ভকত (৪৯) ৰ ওপৰত এই গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে প্ৰথম অৱস্থাত এই কথা পোহৰলৈ অহা নাছিল যদিও কালি কিশোৰীগৰাকীৰ স্বাস্থ্যৰ অৱনতি ঘটাত গেলেকী প্ৰাথমিক চিকিৎসালয়লৈ অহাতহে পোহৰলৈ আহে এই সমগ্ৰ ঘটনা। এই সমগ্ৰ ঘটনাৰ বিষয়ে জ্ঞাত হোৱাত পৰৱৰ্তী সময়ত কিশোৰীগৰাকীৰ পৰিয়ালৰ লোকে এই সন্দৰ্ভত গেলেকী থানাত এজাহাৰ দাখিল কৰে। সেই এজাহাৰৰ ভিত্তিতেই নিশা বিষ্ণুপুৰ আদৰ্শ গাঁৱৰ নিজ বাসগৃহৰ পৰা দুয়োজনকে আটক কৰে গেলেকী আৰক্ষীয়ে। ইতিমধ্যে গেলেকী আৰক্ষী থানাৰ গোচৰ নম্বৰ ১৫/২৫, U/S 3(5) of BNS, R/W Sec-6, POCSO আইনৰ অধীনত এটা গোচৰ ৰুজু কৰি দুয়োজন অভিযুক্তক আদালতলৈ প্ৰেৰণ কৰে। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# হৰিপ্ৰসাদ বৰাৰ মৃত্যুত মৰিগাঁৱত

হঠাতে অসুস্থ হৈ পৰাত পৰিয়াল আৰু ওচৰ-চুবুৰীয়াই মৰিগাঁও চহৰস্থিত শ্বহীদ তিলক-হেমৰাম-গুণাভিৰাম অসামৰিক চিকিৎসালয়লৈ লৈ আহে আৰু বিয়লিৰ ভাগত চিকিৎসালয়তেই শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে পৰ্যটনৰ স্নাতক হৰিপ্ৰসাদ ওৰফে নৰই শেহতীয়াকৈ তৰমুজৰ ব্যৱসায় তথা আন কেতবোৰ পৰিকল্পনাৰে এক নিদৰ্শন দাঙি ধৰাৰ চিন্তা-চৰ্চা কৰিছিল যদিও তেওঁৰ এই আশা অপূৰ্ণ হৈ ৰ'ল। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা সমাজহিতকৰ কাম-কাজৰ সৈতে জড়িত বৰাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ কুমৈস্থিত বাসগৃহ আৰু জাগীস্থিত তেওঁ পূৰ্বৰ বাসগৃহ লোকাৰণ্য হৈ পৰে। এইসকল লোকৰ উপস্থিতিত ৰাজহুৱা শ্মশানত মৃতকৰ শেষকৃত্য সম্পন্ন কৰা হয়। ইফালে জাগী দুই সুঁতিমুখ শিৱ মন্দিৰ সমিতিৰ হুঁচৰি দলে হৰিপ্ৰসাদৰ মৃত্যুত শোক প্ৰকাশ কৰি তেওঁলোকৰ পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচী স্থগিত ৰাখে। আনহাতে বৰাৰ মৃত্যুত মৰিগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলন, বৰ অসম গোষ্ঠী, মৰিগাঁও জিলা আজুকে ধৰি বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আত্মীয়ৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# এটিপিএৰ প্ৰাক্তন সভাপতি, চাহ

যোৱানিশা ৮ বজাত যোৰহাটৰ এজি নাৰ্ছিংহোমত মৃত্যু হয়। তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া আজি জালুকনিবাৰীৰ ঠেঙাল ভৱন প্ৰাংগণত সম্পন্ন কৰা হয়। পত্নী, পুত্ৰৰ লগতে একমাত্ৰ জীয়ৰী আৰু জোঁৱাইসহ আত্মীয়সকলক তেওঁ এৰি যায়। বিশিষ্ট চাহ খেতিয়কজনৰ মৃত্যুত শুভাকাংক্ষীসকলে শোক প্ৰকাশ কৰিছে। তেওঁৰ মৃতদেহ সৰুচৰাই চাহ বাগিচাৰ পুৰণিভেটিলৈ আনি শ্ৰমিক-কৰ্মচাৰীসকলৰ লগতে চাহ বাগিচাখনত থকা অনুষ্ঠান-প্ৰতিষ্ঠান, ধৰ্মানুষ্ঠান, শিক্ষানুষ্ঠানৰ সৈতে জড়িতসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল

কৰ্মী আদিৰহে প্ৰাপ্য বুলি মন্তব্য কৰিছে জিলা আয়ুক্ত, আই এ এছ স্বপ্নীল পালে। আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে প্ৰদান কৰা সম্বৰ্ধনা গ্ৰহণ কৰি তেওঁ কয় যে শেহতীয়াকৈ জিলাখনৰ হৈ গ্ৰহণ কৰা এই বঁটা এটা সামূহিক প্ৰয়াসৰ ফল। তেওঁ কয় যে যোৱা দুবছৰৰ ভিতৰত ৬০,০০০ ৰো অধিক শিশুক প্ৰতিষেধক প্ৰদান কৰি যি কৃতিত্ব প্ৰদৰ্শন কৰিলে তাৰ বাবে স্বাস্থ্য বিভাগৰ প্ৰতিজন বিষয়া-কৰ্মচাৰীয়ে শলাগৰ পাত্ৰ। তেওঁ কয় যে আজি জিলাখনত প্ৰতিষেধক নোলোৱা এটিও শিশু নাই। তেনেদৰে প্ৰসূতিৰ মৃত্যুৰ হাৰ ২০২২-২৩ বৰ্ষলৈ জিলাখনত আছিল প্ৰতি হাজাৰত ৩৯ শতাংশ বা ততোধিক। তাৰ মুখ্য কাৰণ আছিল গৰ্ভৱতীসকলৰ নিয়মীয়াকৈ সহজসাধ্য ৰক্তচাপ পৰীক্ষাৰ ব্যৱস্থা নাছিল। আশা কৰ্মীৰ মাজত ৰক্তচাপ জোখা সঁজুলি যোগান ধৰা, পৰ্যাপ্ত এম্বুলেন্সৰ সুসংহত ব্যৱহাৰ, ৰাজ্য চৰকাৰৰ দ্বাৰা চাহ বাগিচা অঞ্চলত নতুনকৈ এম্বুলেন্সৰ যোগান আদি ব্যৱস্থাৰ দ্বাৰা ২০২৪-২৫ বিত্তীয় বৰ্ষত প্ৰসূতিৰ মৃত্যুৰ হাৰ ১৭ শতাংশলৈ হ্ৰাস কৰিব পৰা গৈছে। দুবছৰৰ ভিতৰত ১.৩৫ লাখ লোকৰ ঘৰত নলযোগে খোৱা পানী যোগান ধৰাৰ দৰে এটা গধুৰ দায়িত্ব সফলতাৰে সম্পন্ন কৰাৰ বাবে জিলা আয়ুক্তগৰাকীয়ে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিৰ অধীনত পদপথৰ ব্যৱসায়ীসকলৰ নিয়মীয়াকৰণত পৌৰসভাসমূহে লোৱা উল্লেখনীয় ভূমিকাৰো তেওঁ শলাগ লয়। তদুপৰি তেওঁ কয় যে এই আঁচনিসমূহৰ সফল ৰূপায়ণ সম্ভৱ হৈছে কেৱল জিলাখনৰ শান্তিপূৰ্ণ পৰিৱেশ-পৰিস্থিতিৰ বাবে। ইয়াৰ বাবে তেওঁ আৰক্ষী বিভাগ, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, জলসম্পদ বিভাগ, লোকনিৰ্মাণ বিভাগ আৰু সৰ্বোপৰি স্থানীয় জনপ্ৰতিনিধিসকলৰ লগতে ৰাইজৰ সহযোগিতাৰো শলাগ লয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই চমু সম্বৰ্ধনা সভাত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, অতিৰিক্ত আয়ুক্তসকল, জিলা তথ্য আৰু জনসংযোগ বিষয়া, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী বিষয়া, অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ তিনিচুকীয়া চক্ৰৰ মহাপ্ৰবন্ধক, সহকাৰী আয়ুক্তসকল, জ্যেষ্ঠ বিষয়াৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে। আয়ুক্তগৰাকীক ফুলাম গামোচা, ফুলৰ থোপা আৰু এখন ফলকেৰে সম্বৰ্ধনা জনোৱা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ছিপাঝাৰত চেন্ট্ৰেল বেংকৰ পৰা

একাউন্ট নং ৫২৬৬৪১৬৪৮৭ ত ৭০ হাজাৰ টকা জমা কৰিছিল। কিন্তু ৰহস্যজনকভাৱে উক্ত ধনৰাশি অনুষ্ঠানটোৰ একাউন্টত আজিকোপতি নোসোমাল। ইয়াকে লৈ পৰৱৰ্তী সময়ত বেংক কৰ্তৃপক্ষক অনুষ্ঠানটোৰ বিষয়ববীয়াই কেইবাবাৰো অৱগত কৰিছিল যদিও গা এৰা দিয়া মন্তব্যৰে দায় সৰা বুলি অভিযোগ উত্থাপন হৈছে। তেনে পৰিপ্ৰেক্ষিতত আজি বেংকটোৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আনহাতে বেংক কৰ্তৃপক্ষৰ সৈতে বাক-বিতণ্ডাতো লিপ্ত হয় একাংশই। প্ৰায় দুবছৰ পূৰ্বে অনুষ্ঠানটোৰ একাউন্টত জমা থোৱা ধন কেনেকৈ হৰলুকী হ'ল সেই বিষয়ে এক তদন্ত বিচাৰি দৰং জিলা উপায়ুক্তলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে সংঘটোৱে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ কাৰ্যকালত ক্ষতিগ্ৰস্ত হৈছিল

পৰিছে। কু-কাৰ্যৰ বাবেই জনসাধাৰণৰ মনৰ পৰা কংগ্ৰেছ দলটো আঁতৰি গৈছে। ভাল কাম কৰিলে ভাল ফল পায়। বেয়া কাম কৰাৰ বাবে দুৰ্নীতি-ভ্ৰষ্টাচাৰ কৰাৰ বাবে অসমৰ লগতে ভাৰতবৰ্ষৰ জনসাধাৰণে কংগ্ৰেছক মনৰ পৰা আঁতৰাই দিছে। সু-শাসন ব্যৱস্থা, মৰ্যাদা, সততাৰে কামবোৰ ৰূপায়ণ কৰাৰ বাবে বিজেপিক ৰাইজে আঁকোৱালি লৈছে। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থী হৈ প্ৰচাৰৰ বাবে যোৰহাটৰ পশ্চিম অঞ্চলৰ সৰুচৰাই ঘৰফলীয়া খেলপথাৰত বিজেপিয়ে অনুষ্ঠিত কৰা নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এনেদৰে কয়। বিজেপিৰ যোৰহাট জিলাৰ সভাপতি শান্তনু পূজাৰীয়ে আঁত ধৰা সভাখনত বিজেপি আৰু এজিপিৰ ভালেসংখ্যক বিষয়ববীয়াৰ লগতে ভোটাৰ ৰাইজ আৰু প্ৰাৰ্থীসকল উপস্থিত থাকে। জনাকীৰ্ণ সভাখনৰ আৰম্ভণিতে ১ নং সৰুচৰাই পৰ্বতীয়া জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী ললিতা পেগু দলেৰ লগতে বিজেপি দলৰ আঞ্চলিক পঞ্চায়তসমূহৰ সদস্য পদৰ প্ৰাৰ্থী ৩৭ ৰ দেৱাশ্ৰী পূজাৰী দত্ত, ৩৮ ৰ জিতুমণি বৰা, ৩৯ ৰ ৰুলি দলে পেগু, ৪০ ৰ ৰিমঝিম দলে, ৪২ ৰ ধ্ৰুৱজ্যোতি দত্ত, ৪৩ ৰ মিনতি গোস্বামী, ৪৪ ৰ মৃদুল খাউণ্ড, ৪৬ ৰ নৃপেন দাসে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক ফুলাম গামোচা পিন্ধাই আদৰণি জনায়। জিলা পৰিষদখনৰ অন্তৰ্গত ৪৬ নং চাৰিঙীয়া গাঁও পঞ্চায়তৰ পৰা অঞ্জু দত্ত পূজাৰীয়ে মিত্ৰজোঁট অগপৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে। ৪৫ নং পশ্চিম সৰুচৰাইত বিজেপিৰ পৰা গোট সদস্যৰূপে ৩ ত হিমাংশু বৰা, ৪ ত বুবুল বৰুৱা, ৫ ত দীপা কলিতা, ৬ ত জ্যোতিশিখা কলিতা, ৭ ত পূৰ্ণিমা বৰা, ৮ ত মমী বৰা, ৯ ত বিনন্দ সদাৰ, ১০ ত নিজু বৰাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ২ ৰ মুনমী বৰুৱা বিনা প্ৰতিদ্বন্দ্বিতাৰে ইতিমধ্যে নিৰ্বাচিত হৈছে। ১০ খন পঞ্চায়তৰ লগতে জিলা পৰিষদত প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ, অগপ প্ৰাৰ্থী দুগৰাকীৰ লগতে বিজেপি প্ৰাৰ্থীগৰাকীয়েও সমৰ্থকক লগত লৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নিৰ্বাচনী প্ৰচাৰ সভাখনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সভাৰ সমীপৰে বিদ্যালয়খনৰ পৰা স্মাৰক-পত্ৰ প্ৰদান কৰে। আজি কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বৰহোলাৰ পৰা হেলিকেপ্টাৰযোগে সৰুচৰাই মিনি ষ্টেডিয়ামত অৱতৰণ কৰি সভাখনত অংশগ্ৰহণ কৰে আৰু তাৰপৰা দেৰগাঁও সমষ্টিৰ শীতল পথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাখনলৈ ৰাওনা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চতিয়াৰ জয়সিদ্ধিত অঘটন, খহি পৰিল

চাৰিখনকৈ গাঁৱৰ লোকৰ কথমপি প্ৰাণ ৰক্ষা পৰে। চাৰি লাখ ভল্টৰ উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তথা বৰলাইনৰ তাঁৰ ছিগি তলত থকা ২২০ আৰু ৪৪০ ভল্টৰ তাঁৰত ওলমি যোৱাৰ ফলত ওচৰে-পাঁজৰে থকা চাৰিটাকৈ ট্ৰেঞ্চফৰ্মাৰ জুলি বিকল হৈ পৰাৰ লগতে বিদুতৰ সংযোগ থকা পৰিয়ালৰ গৃহসমূহৰ ইনভাৰ্টাৰ, ঘৰুৱা মিটাৰ, ফ্ৰীজ, টিভি আৰু পানী উঠোৱা মটৰকে ধৰি বিদ্যুৎ সংযোগ থকা অন্যান্য সা-সামগ্ৰীসমূহ শ্বৰ্ট চাৰ্কিটৰ ফলত জুলি নষ্ট হৈ যায়। ইয়াৰ উপৰি বৰলাইনৰ তাঁৰ ছিগি টুকুৰা-টুকুৰ হৈ গাঁওসমূহৰ ক্ষুদ্ৰ চাহ খেতি, মাকৈ খেতি কলগছ, আনকি পুখুৰীৰ মাছ পৰ্যন্ত মৰি যায়। ইতিমধ্যে পাৱাৰগ্ৰীডৰ বিষয়া-কৰ্মচাৰীয়ে আজি ঘটনাস্থলী পৰিদৰ্শন কৰি বৰলাইনৰ য'তে-ততে পৰি থকা তাঁৰৰ মেৰামতিৰ কাম আৰম্ভ কৰিছে আৰু বিয়লি পাঁচ-ছয় মান বজাত ৰাইজৰ ক্ষয়-ক্ষতি হোৱা সম্পত্তিৰ হিচাপ লোৱাৰ উদ্দেশ্যে কোম্পানীৰ বিষয়া-কৰ্মচাৰীসকলে ৰাইজৰ সৈতে এক আলোচনাত মিলিত হোৱাৰ যো-জা চলাইছে। গাঁওসমূহৰ ৰাইজে বৰলাইনৰ তাঁৰ পৰি হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ পাৱাৰগ্ৰীডক দাখিল কৰিব বুলিও জানিবলৈ দিয়ে ক্ষতিগ্ৰস্ত ৰাইজে। ৰাইজৰ দাবীসমূহ মানি লৈ পাৱাৰগ্ৰীডৰ কোম্পানীয়ে যদি উপযুক্ত ক্ষতিপূৰণ আদায় নিদিয়ে তেন্তে কোম্পানীৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলিও জনাইছে ৰাইজে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শুৱালকুছিৰ চাৰিশৰীয়াত বিলাতী সুৰাৰ

কেইবালক্ষধিক টকাৰ বিলাতী সুৰা জব্দ কৰে আৰক্ষীয়ে। এই অবৈধ দোকানখনৰ পৰা একাংশ কিশোৰ, যুৱক তথা ছাত্ৰই মুকলিকৈ সুৰা বিক্ৰী কৰাৰ দৃশ্যও বন্দী হৈছিল মোবাইলৰ কেমেৰাত। স্থানীয় ৰাইজৰ অভিযোগ অবৈধ সুৰা ব্যৱসায়ীয়ে ৰাইজক অন্য ব্যৱসায় কৰিম বুলি মাতি আনি নাম-প্ৰসংগও কৰাইছিল। পিছতহে ৰাইজে জানিব পাৰিলে আচলতে অন্য ব্যৱসায়ৰ নামত এয়া এক বৃহৎ অবৈধ বিলাতী সুৰাৰ ঘাটিহে। আনহাতে শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলতো দীৰ্ঘদিনৰ পৰা চলি আহিছে অবৈধ সুৰাৰ ৰমৰমীয়া ব্যৱসায়। শুৱালকুছি আৰক্ষী থানাৰ নিষ্ক্ৰিয়তাত শুৱালকুছিৰ বিভিন্ন স্থানৰ লগতে বংশৰ, বৰবন্দিয়া, সানপাৰা, নিৰ্মীয়মাণ শুৱালকুছি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সমীপৰ অঞ্চলৰ নিৰ্দিষ্ট ঠাইত প্ৰতিমাহে লাখ লাখ টকাৰ অবৈধ সুৰা বিক্ৰী কৰাৰ তথ্য পোহৰলৈ আহিছে। যাৰ পৰিপ্ৰেক্ষিতত বিলাতী সুৰা, নিচাযুক্ত দ্ৰব্যত আসক্ত আজিৰ যুৱ প্ৰজন্মক তিলতিলকৈ ধ্বংসৰ পিনে গতি কৰিছে। একাংশ অসাধু ব্যৱসায়ীয়ে অবৈধভাৱে বিলাতী সুৰাৰ লগতে অবৈধ নিচাযুক্ত ভাং আদিৰ ৰমৰমীয়া ঘাটি ৰূপে ৰূপান্তৰিত কৰিছে এই অঞ্চলসমূহত। একাংশ কমিছনভোগী আৰক্ষী- আবকাৰী বিষয়াৰ সুবাদত দৈনিক কাৰ্যকলাপ বৃদ্ধি পাইছে অবৈধ সুৰা আৰু নিচাযুক্ত ভাং ব্যৱসায়ীৰ। কামৰূপ জিলা প্ৰশাসনৰ নিষ্ক্ৰিয়তাৰ বাবেই জিলাখনৰ এই অঞ্চলসমূহত পৰিণত হৈছে একাংশ দুৰ্নীতিগ্ৰস্ত আবকাৰী বিষয়া আৰু আৰক্ষীৰ সোণৰ কণী পৰা হাঁহলৈ। সচেতন ৰাইজৰ অভিযোগ আৰক্ষী-আবকাৰী বিভাগে মাজে-সময়ে এইসকল অবৈধ সুৰা ব্যৱসায়ীৰ বিৰুদ্ধে কমিছনৰ আশাত নামমাত্ৰ অভিযান চলাই দায়িত্ব সামৰে বুলি গুৰুতৰ অভিযোগ কৰে স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজে।

# পেহেলগামত নিহতসকললৈ ডুমডুমাত 'আছু'ৰ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ নিষ্ঠুৰ আক্ৰমণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি সন্ধিয়া ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই ডুমডুমা চহৰৰ গান্ধী চৌক (গান্ধী মূৰ্তি) ত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ আয়োজন কৰে। কাৰ্যসূচীত 'আছু'ৰ নেতা-কৰ্মীসকলৰ উপৰি আন বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু স্থানীয় নাগৰিকেও অংশগ্ৰহণ কৰে। নিহতসকলৰ স্মৃতিত ৰাইজে মম জ্বলাই শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে নিৰীহ লোকৰ ওপৰত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণক তীব্ৰ গৰিহণা দিয়ে। অনুষ্ঠানত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সভাপতি প্ৰতিম নেওঁগে সন্ত্ৰাসবাদীৰ এনে নৃশংস কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে ঘটনাৰ সৈতে জড়িত কোনো লোক যাতে সাৰি নাযায় তাৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনোৱাৰ লগতে পাকিস্তানৰ উপৰি ভাৰত-বাংলাদেশৰ সীমা কটকটীয়াকৈ ছীল কৰা আৰু পাকিস্তানৰ বৈধ-অবৈধ নাগৰিকৰ লগতে অবৈধ বাংলাদেশীকো ভাৰতৰ পৰা বিতাড়িত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। নেতাজনে এনআৰচি কঠোৰভাৱে প্ৰযোজ্য কৰাৰো দাবী জনায়। বাংলাদেশী অবৈধ প্ৰব্ৰজনকাৰীয়ে অনাগত দিনত অসমক কাশ্মীৰসদৃশ কৰি তুলিব বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে আছু নেতাজনে। ২৮ গৰাকীকৈ নিৰীহক বৰ্বৰভাৱে হত্যা কৰা ঘটনাত সমগ্ৰ দেশৰ লগতে ডুমডুমাবাসীও ক্ষোভত ফাটি পৰিছে। কাৰ্যসূচীত সন্ত্ৰাসবাদ নিপাত যাওক, পাকিস্তান মুৰ্দাবাদ আদি ধ্বনি দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডুমডুমাত মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয়

দিৱস ৫ আৰু ৬ মে'ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰ (ডুমডুমা নগৰ খেলপথাৰ) ত ডুমডুমা আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ আতিথ্যত আৰু ডুমডুমাবাসীৰ সহযোগত অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি ডুমডুমা নগৰ খেলপথাৰত মাংগলিক ৰীতি-নীতিয়ে অনুষ্ঠানৰ মূল মণ্ডপৰ লাইখুঁটা স্থাপন কাৰ্যসূচী সমাপন কৰে দিচাম দেওসত্ৰৰ দেওভকত বাবুল দহোতীয়াই। কাৰ্যসূচীত ভকত-বৈষ্ণৱৰ লগতে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, উপদেষ্টা সুখেন নেওগ, টিকেন্দ্ৰজিৎ মৰাণ, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ উপ-সভানেত্ৰী অঞ্জুমণি নেওগ, অসম মৰাণ সভাৰ সাধাৰণ সম্পাদক বিতোপন মৰাণ, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ উপমুখ্য কাৰ্যবাহী দেৱেশ্বৰ মৰাণ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেৱেন ডেকা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, ডুমডুমা নামঘৰ পৰিচালনা সমিতিৰ সভাপতি মৃগেণ শইকীয়া, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, অভ্যৰ্থনা সমিতিৰ সভাপতি মুলেন্দ্ৰ মৰাণ, মুখ্য সম্পাদক প্ৰবোধ বড়া, যুটীয়া সম্পাদক ৰাণা সোণাৰ আৰু পদ্মজিৎ মৰাণ, ডুমডুমা চেম্বাৰ্ছ অৱ কমাৰ্চৰ সভাপতি কিষাণ লাল পাৰিক, সম্পাদক অনুপ গুপ্তা, ডুমডুমা অঞ্চলৰ স্থানীয় বিভিন্ন দল-সংগঠনৰ সভাপতি-সম্পাদক, ডুমডুমা অঞ্চলৰ সাংবাদিকসকলৰ লগতে যথেষ্টসংখ্যক পুৰুষ-মহিলা উপস্থিত থাকে। উল্লেখ্য যে দুদিনীয়াকৈ আয়োজন কৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত বিশেষ শৈক্ষিক-বৌদ্ধিক আলোচনা, সম্বৰ্ধনা অনুষ্ঠান, প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা, বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান, সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভাৰ উপৰি মৰাণ জনজাতিৰ অনন্য কৃষ্টিৰ সম্ভাৰ "গছ তলৰ বিহু" আৰু পৰম্পৰাগত "ৰাতিবিহু" হাজাৰ হাজাৰ বিহুৱা-নাচনীৰ উপস্থিতিত প্ৰদৰ্শিত হ'ব। অনুষ্ঠানলৈ বহুকেইগৰাকী বিশিষ্ট শিক্ষাবিদ, বুদ্ধিজীৱী, অৰ্থনীতিবিদ, ৰাজনীতিবিদ তথা সমাজহিতৈষী ব্যক্তিক নিমন্ত্ৰণ জনোৱা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো অংশগ্ৰহণ কৰাৰ কথা। অনুষ্ঠানৰ বিশেষ আকৰ্ষণ এহাজাৰগৰাকী আয়তীৰ দ্বাৰা মৰাণ জনজাতিৰ পৰম্পৰাগত খেৰী পৰিৱেশন। অনুষ্ঠানৰ সমূহ কাৰ্যসূচীত ৰাইজৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আৰু উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।

# চৰাইদেউত ধুমুহাত বিস্তৰ ক্ষতি, ব্যাহত বিদ্যুৎ যোগান

**ই-সংবাদ, মথুৰাপুৰ, ২৪ এপ্ৰিলঃ** বুধবাৰে নিশা প্ৰায় ৯ বজাত এজাক প্ৰচণ্ড বতাহ-ধুমুহা, বৰষুণে বিস্তৰ ক্ষতি কৰিলে চৰাইদেউ জিলাৰ বিভিন্ন অঞ্চলৰ। নাফুকৰ ধোদৰআলিত গছ পৰি পথ বন্ধ হৈ ব্যস্ততাপূৰ্ণ পথটোৰ যাতায়াত, বিদ্যুৎ যোগান ব্যাহত হৈ পৰাৰ লগতে চৰাইদেউ জিলাৰ সোণাৰি নগৰৰ লগতে পাৰ্শ্ববৰ্তী নাফুক, গঞ্জুপাৰা, বৰপথাৰ, বৰাহী, চাংমাই গাঁও, চক্ৰাই, চলাপথাৰ আদি অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা এজাক ধুমুহাই অঞ্চলটোৰ বিস্তৰ ক্ষতি কৰে । ধুমুহাৰ প্ৰকোপ ইমানেই তীব্ৰ আছিল যে প্ৰকাণ্ড প্ৰকাণ্ড গছ বাগৰি পৰিছিল। ধোদৰআলি পথৰ ওপৰত নাফুক তিনিআলিত কেইবাজোপা প্ৰকাণ্ড গছ বাগৰি পৰাত যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰে। সদা ব্যস্ত পথটো বন্ধ হৈ পৰাত বহু যান-বাহন আবদ্ধ হৈ পৰে। ইফালে ধুমুহাত বহু পৰিয়ালৰ বাসগৃহ, ভঁৰাল ক্ষতিগ্ৰস্ত হয়। ধুমুহা-বতাহত বহু স্থানত বিদ্যুৎ খুঁটা ভাঙি পৰাত অঞ্চটোত বিদ্যুৎ যোগান ব্যাহত হৈ পৰে। যোৱানিশা প্ৰায় ৯ বজাত অহা ধুমুহাজাকৰ পিছত বৰষুণে ভঙা বাসগৃহৰ আচবাব নষ্ট কৰে। আন্ধাৰ হোৱা বাবে উদ্ধাৰ অভিযান চলোৱাত সমস্যাৰ সৃষ্টি হয়। আনহাতে চলা উচ্চ মাধ্যমিক বিদ্যালয় আৰু চক্ৰা পি এম শ্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়গৃহৰ টিনপাট উৰুৱাই নিয়াৰ ফলত বিস্তৰ ক্ষতি হোৱাৰ লগতে বিদ্যালয়ৰ বহু সামগ্ৰীৰ ক্ষতি হয়। চলা উচ্চ মাধ্যমিক বিদ্যালয় চৌহদত থকা কেইবাজোপা প্ৰকাণ্ড গছ পৰি বিদ্যালয়খনৰ চাৰিসীমাৰ পকী ৱালৰো ক্ষতি কৰে।





# তিতাবৰৰ বৰহোলাত বিজেপিৰ বিশাল নিৰ্বাচনী সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

## কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা, বিজেপিৰ জয় অৱশ্যাম্ভাৱী বুলি দাবী

**ই-সংবাদ, তিতাবৰ, ২৪ এপ্ৰিলঃ** যোৰহাট জিলাৰ তিতাবৰৰ বৰহোলা চাহ বাগিচা খেলপথাৰত বৃহস্পতিবাৰে বিজেপিৰ উদ্যোগত আয়োজিত এক বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰি সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত জোৰদাৰ প্ৰচাৰ চলায়। সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত এই সভাত মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি বিজেপিৰ উন্নয়নমূলক কামৰ কথা তুলি ধৰে। সোণোৱালে ভাষণত কংগ্ৰেছৰ শাসনকালত অসমৰ উন্নয়নৰ ক্ষেত্ৰত অৱহেলাৰ অভিযোগ তুলি কয়, "কংগ্ৰেছে অসমৰ ৰাইজৰ সপোনক অৱহেলা কৰিছিল, বাগানৰ ৰাস্তা-পদূলিৰ অৱস্থা বিধ্বস্ত আছিল। কিন্তু বিজেপি চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমক উন্নয়নৰ নতুন পথত আগুৱাই নিছে।" তেওঁ পঞ্চায়ত নিৰ্বাচনত বিজেপি প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰি এক সুস্থ আৰু উন্নত পঞ্চায়ত গঢ়াৰ আহ্বান জনায়। সভাত সোণোৱালে বৰহোলা জিলা পৰিষদৰ প্ৰাৰ্থী প্ৰিয়ংকা ফুকনৰ লগতে তিতাবৰ, ঠেঙাল আৰু কৰঙা জিলা পৰিষদৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ৰাইজৰ ওচৰত ভোটৰ বাবে আহ্বান জনায়। তেওঁ কয়, "এই প্ৰাৰ্থীসকল ৰাইজৰ সেৱাত নিজকে উৎসৰ্গা কৰিবলৈ প্ৰস্তুত। আপোনালোকৰ ভোটে অসমৰ গ্ৰাম্য উন্নয়নক নতুন গতি প্ৰদান কৰিব।"

নিৰ্বাচনী সভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সংগ দিয়ে প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা আৰু বিজেপিৰ বহু জ্যেষ্ঠ নেতাই। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে নিজৰ বক্তব্যত বিজেপিৰ স্থানীয় উন্নয়নৰ কামৰ প্ৰশংসা কৰাৰ লগতে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। এনেদৰে পঞ্চায়ত নিৰ্বাচনত নিজৰ অৱস্থান শক্তিশালী কৰাৰ চেষ্টা চলাই গৈছে বিজেপিয়ে।

# হিমন্ত বিশ্বই চলাইছে 'ঝুথ-লুট'ৰ চৰকাৰ, নগাঁৱত সংবাদমেলত চৰণ সিং চাপ্ৰা



**নগাঁও, ২৪ এপ্ৰিলঃ** ঠগ-প্ৰৱঞ্চনাৰে অসমৰ ৰাইজৰ ওপৰত লুটৰাজ চলাই আছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ফাকি-ফুকা, প্ৰৱঞ্চনা আৰু দমন নীতিয়েই হ'ল হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনীতি। অসমত এতিয়া গণতন্ত্ৰ নহয়, "দমনতন্ত্ৰ" চলি আছে বুলি উল্লেখ কৰি নিখিল ভাৰত কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ চৰণ সিং চাপ্ৰাই অসমৰ ৰাইজক হিমন্ত বিশ্ব শৰ্মাৰ সন্ত্ৰাসৰ পৰা মুক্ত কৰিবলৈ কংগ্ৰেছ দল প্ৰতিশ্ৰুতিবদ্ধ। অসমৰ বিভিন্ন পৰ্যায়ৰ ৰাইজৰ লগত কথা পাতি আমি নিশ্চিত হৈছো যে অসমৰ ৰাইজে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনৰ আচল স্বৰূপ বুজি পাইছে আৰু বিজেপি দলৰ বিৰুদ্ধে ভোট দিবলৈ মানসিকভাৱে সাজু হৈছে। আজি নগাঁৱৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত তেওঁ আৰু কয়, "ক্ষমতাৰ অপব্যৱহাৰৰ জৰিয়তে ৰাজনৈতিক শত্ৰুতা আৰু আইন অমান্য কৰি এইখন চৰকাৰ চলিছে। বিৰোধী দলৰ নেতাক দমন কৰা হৈছে। মানুহক ভয়-ভাবুকি প্ৰদান কৰি লোকতন্ত্ৰ নহয়, 'থোক'তন্ত্ৰৰে চৰকাৰ চলাই আহিছে। অসমৰ মানুহে এই কথা সহ্য নকৰে।" বিগত দিনত গৌৰৱ গগৈ, গৌৰৱ গগৈৰ পত্নীক মুখ্যমন্ত্ৰীয়ে টাৰ্গেট কৰি লোৱাৰ কথাও উল্লেখ কৰে। তেওঁ কয়, "যোৱাকালিও গৌৰৱ গগৈৰ কথা কৈছে। পাকিস্তানৰ কথা মাজলৈ টানি আনি বিভাজনৰ ৰাজনীতি কৰিব খুজিছে মুখ্যমন্ত্ৰীয়ে। পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ নামত মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ লগতে আন কংগ্ৰেছ নেতাৰ বিৰুদ্ধে অপ-প্ৰচাৰ চলাই গৈছে। মুখ্যমন্ত্ৰী এই ঘটনাক নিন্দা কৰিছো।" সংবাদমেলত ৰাষ্ট্ৰীয় কংগ্ৰেছ নেতাগৰাকীয়ে হিমন্ত বিশ্ব শৰ্মাক প্ৰথমে কংগ্ৰেছক থাকি পিছলৈ বিজেপিলৈ যোৱাৰ কথাটো মনত পেলাই দি কয় যে যদি কংগ্ৰেছৰ নহয়, বিজেপি নেতাৰহে পাকিস্তানৰ প্ৰতি প্ৰেম আছে। তেওঁ কয়, "লালকৃষ্ণ আদৱানি প্ৰথমে পাকিস্তানত জিন্নাৰ মাজাৰলৈ গৈছিল। ভাৰতীয় জনতা পাৰ্টীৰ পাকিস্তানৰ সৈতে সেই সম্পৰ্ক কি? আদৱানিয়ে জিন্নাৰ মাজাৰলৈ গৈ লিখিছে যে জিন্না এজন ছেকুলাৰ লোক আছিল। নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰ প্ৰধানমন্ত্ৰী হিচাপে শপত লৈ নৱাজ শ্বৰীফৰ ঘৰলৈ যায়। পাঠানকোট আক্ৰমণৰ পিছত পাক আইএছআইক ৰেড কাৰ্পেট পাৰি দিছিল বিজেপিয়ে। কান্দাহাৰত যেতিয়া যশৱন্ত সিঙে উগ্ৰপন্থীক এৰি দিবলৈ গৈছিল, যশৱান্ত সিং তেতিয়া কেন্দ্ৰীয় মন্ত্ৰী আছিল। হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ নেতাক যদি পাকিস্তানৰ সৈতে জড়িত কৰিব খোজে তেন্তে তেওঁ জানিব লাগিব যে যি আক্ৰমণ পেহেলগামত হৈছে তাত চোৰাংচোৱাৰ ব্যৰ্থতা আৰু আন আন ব্যৰ্থতা আছিল। এইবোৰৰ উত্তৰো হিমন্ত বিশ্ব শৰ্মাই দিব লাগিব।" কংগ্ৰেছ প্ৰৱক্তা ৰীতম সিঙ, আচাৰ্য মহবুবুল হক, সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ প্ৰসংগ উল্লেখ কৰি চাপ্ৰাই কয় যে ৰীতম সিঙক এটাৰ পিছত আন এটা গোচৰত অভিযুক্ত কৰি ৪০ দিন ধৰি জেলত ৰখা হৈছে। সাংবাদিক দিলোৱাৰে এপেক্স বেংকত সংঘটিত দুৰ্নীতি পোহৰলৈ অনা বাবে এবাৰ নহয়, দুবাৰ গ্ৰেপ্তাৰ কৰা হয়। সাংসদ ৰকিবুল হুছেইনৰ দেহৰক্ষী কমা কৰা হৈছে। তাৰ পিছত তেওঁৰ ওপৰত আক্ৰমণ চলোৱা হয়। এয়া লেতেৰা ৰাজনীতি। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে হিমন্ত বিশ্ব শৰ্মাই অসমত আতংকময় পৰিৱেশ সৃষ্টি কৰিব বিচাৰিছে। হিমন্তৰ হিটলাৰী ৰাজ কংগ্ৰেছে চলিবলৈ নিদিয়ে বুলিও তেওঁ স্পষ্ট কৰে। তেওঁ কয়, "হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ থ্ৰি-জেৰ দ্বাৰা চলে। ঝুথ, ঝুমলা আৰু জগৰলী।" বিজেপিক মিছা কথা, মিছা প্ৰচাৰ চলোৱা পাৰ্টী আখ্যা দি এইখন চৰকাৰৰ সমাপ্তি আৰম্ভ হোৱা বুলি দাবী কৰে চাপ্ৰাই। ২০২১ চনত ১ লাখ চাকৰি দিয়া প্ৰতিশ্ৰুতি দি পূৰণ কৰিব নোৱাৰিলে। মহিলাক মাইক্ৰ'ফাইনেন্স ৰেহাই দিম। প্ৰতিশ্ৰুতি পূৰণ নহ'ল। বিদ্যুৎ বিল ২০০ ইউনিট ৰেহাই দিয়া নহ'ল। বৰং ব্যক্তিগত খণ্ডৰ পৰা বিদ্যুতহে ক্ৰয় কৰিছে। ২২ কোটি টকাৰ বিদ্যুৎ ক্ৰয় কৰিছে। বিদ্যুৎ অধিক দৰত ক্ৰয় কৰিলে অধিক দৰত গ্ৰাহকক দিব লাগিব। অনাগত দিনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰক ক্ষমতাৰ অপব্যৱহাৰ নকৰিবলৈকো সকীয়াই দিয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা চৰণ সিং চাপ্ৰাই। উল্লেখ্য যে, আজিৰ এই সংবাদমেলত নিখিল ভাৰত কংগ্ৰেছৰ মুখপাত্ৰ হৰ্ষদ শৰ্মা, নিগহত আব্বাছ, অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, নগাঁও জিলা কংগ্ৰেছৰ সভাপতি প্ৰশান্ত শইকীয়াই ভাগ লয়।

# পেহেলগামৰ ঘটনাক নিন্দা চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীয়ে কৰা নৃসংশ হত্যাকাণ্ডক কোনো সুস্থ-শান্তিপ্ৰিয় মানুহে বিৰোধ নকৰি নোৱাৰে। তেনে সন্ত্ৰাসবাদী সংগঠনক, ই যি ধৰ্মৰে নহওক কিয় গৰিহণাৰ যোগ্য আৰু বৰ্জনীয়ও। ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজে এনেধৰণৰ নিৰ্মম দুষ্কাৰ্যৰ পূৰ্বৰ পৰাই বিৰোধিতা কৰি অহাই নহয়, ইছলামৰ শান্তিদায়িনীৰ ৰূপটো সবাৰে আগত দাঙি ধৰাৰ অৰ্থে লিখনি-বক্তব্য আদিৰ যোগেদি যৎপৰোনাস্তি চেষ্টা চলাই আহিছে। বিভিন্ন ধৰ্মৰ মাজত নিহিত হৈ থকা সমভাবাপন্ন আদৰ্শৰাজিক উজ্জীৱিত কৰাত গুৰুত্ব প্ৰদান কৰি অহা অনুষ্ঠানটিৰ হৈ সভাপতি চেহিৰ আহমদ আৰু সম্পাদক এম হাছিম আলীয়ে এনে দুষ্কাৰ্যক কঠোৰ ভাষাৰে নিন্দা কৰাৰ লগতে নিৰীহ লোকসকলৰ দুখ-যন্ত্ৰণাত সহমৰ্মিতা প্ৰকাশ কৰিছে। অনুষ্ঠানটিয়ে মৃতকসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে। লগতে দোষীক উপযুক্ত শাস্তি বিহি সমাজলৈ সুস্থ পৰিৱেশ কঢ়িয়াই আনিবলৈ সংকলোকে টানি অনুৰোধ জনাইছে।

# সন্ত্ৰাসবাদৰ বিৰুদ্ধে অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰতিবাদ

**ই-সংবাদ, যোৰহাট, ২৪ এপ্ৰিলঃ** কাশ্মীৰৰ পেহেলগামত হোৱা নাৰকীয় কাণ্ডত নিহতসকলৰ লগতে শ্বহীদ হোৱা বীৰ জোৱানৰ আত্মাৰ সদগতিৰ বাবে আজি অসম কৃষি বিশ্ববিদ্যালয় পৰিয়ালে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সভাগৃহত বিশ্ববিদ্যালয় পৰিয়ালে এখন শোকসভা অনুষ্ঠিত কৰি এই কাণ্ডত গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু এই কাণ্ডৰ যাতে পুনৰাবৃত্তি নহয় তাৰ কামনা কৰে। সন্ধিয়া বিশ্ববিদ্যালয়ৰ যোৰহাট চৌহদৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত বন্তি প্ৰজ্বলন কাৰ্যসূচী গ্ৰহণ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ শতাধিক ছাত্ৰ ছাত্ৰীয়ে প্ৰতিবাদত অংশগ্ৰহণ কৰে। কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ বিদ্যুৎ চন্দন ডেকাই পেহেলগামত হোৱা নাৰকীয় কাণ্ডৰ তীব্ৰ নিন্দা কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে সকলো ওলাই আহি ঐক্যবদ্ধভাৱে যুঁজ দিব লাগিব বুলি উল্লেখ কৰে।

# নেশ্যনেল পাৱাৰলিফটিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক জয় আৰ্চাদ হুছেইনৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ এপ্ৰিলঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজৰ সহকাৰী অধ্যাপক ড° আৰ্চাদ হুছেইনে হিমাচল প্ৰদেশৰ ধৰমশালাত ১৯ এপ্ৰিলৰ পৰা ২৬ এপ্ৰিললৈ অনুষ্ঠিত হোৱা ৭ম ৰাষ্ট্ৰীয় মাষ্টাৰছ গেমছত ৯৩ কেজিৰ তলৰ শাখাত পাৱাৰলিফ্টিঙত স্বৰ্ণ পদক লাভ কৰে। ২০২৪ চনত প্ৰথমবাৰৰ বাবে পাৱাৰলিফ্টিঙৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ড° হুছেইনে ইতিমধ্যে ২০২৪ চনৰ ৯ নৱেম্বৰত ডিব্ৰুগড়ত অনুষ্ঠিত ষ্টেট মাষ্টাৰছ গেমছত স্বৰ্ণ পদক জিকি ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছিল। তেওঁৰ এই অভূতপূৰ্ব সাফল্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল তেওঁৰ প্ৰশিক্ষক পুৰুষোত্তম সোণোৱালে, যি নিজেও ২০১৩ চনত জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত আৰু ২০১৪-১৫ চনত সিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক বিজয়ী হৈছিল। ড° হুছেইন অসমৰ বাবে দ্বৈত গৌৰৱৰ অধিকাৰী - তেওঁ এগৰাকী প্ৰথিতযশা শিক্ষাবিদ হোৱাৰ লগতে এজন নিষ্ঠাবান ক্ৰীড়াবিদও। তেওঁৰ পিতৃ আব্দুল হুছেইন (নেইক) অসমৰ সৰ্বভাৰতীয় ফুটবলাৰ আৰু অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত ইঞ্জিনিয়াৰ হিচাপে পৰিচিত। ড° হুছেইনে শৈক্ষিক জীৱনৰ লগতে ক্ৰীড়াজগততো সমানে সক্ৰিয় হৈ থকাৰ জৰিয়তে ছাত্ৰ-যুৱকসকলক এক আদৰ্শ হিচাপে প্ৰেৰণা যোগাই আহিছে।

# নগাবন্ধাত প্ৰাইজমানি ক্ৰিকেট খেল

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৪ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ নগাবন্ধা মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ২৬ এপ্ৰিলত এন আৰ এছ গ্ৰুপৰ উদ্যোগত এখনি এদিনীয়া প্ৰাইজমানি সীমিত অভাৰৰ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিবৰ বাবে সম্প্ৰতি ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। এন আৰ এছ গ্ৰুপৰ বিষয়ববীয়াই জানিবলৈ দিয়ামতে, এইবাৰৰ প্ৰতিযোগিতা মুঠ-১৬ টা দলৰ মাজত সীমাবদ্ধ থাকিব। উল্লেখ্য যে, প্ৰতিযোগিতাৰ বিজয়ী আৰু বিজিত দলৰ লগতে ফাইনেলৰ প্লেয়াৰ অব দ্যা মেচ আৰু শ্ৰেষ্ঠ খেলুৱৈগৰাকীকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব।



আইপিএল ২০২৫: ৰাজস্থানৰ বিৰুদ্ধে দুৰ্দান্ত প্ৰদৰ্শনেৰে অৰ্ধশতক বাংগালুৰুৰ বিৰাট কোহলিৰ

## হাট-বজাৰ, তিনিআলি, ক্লাবঘৰ সকলোতে আইপিএল উন্মাদনা

# নগাঁৱত ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ নামত জুৱাৰ বেহা যুৱ প্ৰজন্মৰ

**ই-সংবাদ, বেবেজীয়া, ২৪ এপ্ৰিলঃ** অতি জনপ্ৰিয় খেল ক্ৰিকেটৰ অন্যতম আকৰ্ষণীয় ৰূপ আৰু ৰোমাঞ্চকৰ প্ৰতিযোগিতা হ'ল "ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ"। চমুকৈ আইপিএল। বিশ্বকাপৰ পিছত জনপ্ৰিয়তাৰ ক্ষেত্ৰত উচ্চ স্থান দখল কৰিবলৈ সক্ষম হোৱা এই প্ৰতিযোগিতাখনি বৰ্তমান পূৰ্ণ গতিত চলি আছে। বিশ্বৰ ভালেখিনি আগশাৰীৰ খেলুৱৈৰ অংশগ্ৰহণেৰে গঠিত মুঠ দহটা দলৰ মাজত অনুষ্ঠিত হোৱা ধনসৰ্বস্ব এই প্ৰতিযোগিতাখনত প্ৰতিটো দলেই মৰণ-পণ যুঁজেৰে বিপক্ষৰ ওপৰত জপিয়াই পৰি প্ৰতিখন খেলেই কৰি তুলিছে উপভোগ্য। প্ৰতিটো দলৰেই এটা লক্ষ্য বিশ অভাৰৰ এই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠতম খিতাপটো দখল কৰা। প্ৰতিক্ষণতে ৰোমাঞ্চ আৰু উত্তেজনাৰে ভৰপূৰ ক্ৰিকেটৰ এই ৰণখন যিমানেই অন্তিম পৰ্যায়লৈ আগবাঢ়ি গৈছে, সিমানেই ক্ৰিকেটপ্ৰেমীৰ মাজত ইয়াক লৈ চলি থকা বিভিন্ন জল্পনা-কল্পনা দুগুণে বৃদ্ধি পোৱা দেখা গৈছে। বৰ্তমান প্ৰতিযোগিতাখনিৰ লীগ পৰ্যায়ৰ খেলসমূহৰ কেইখনমানহে বাকী থকাত ক্ৰিকেটপ্ৰেমীৰ মাজত অধিক বৃদ্ধি পাইছে উন্মাদনা আৰু আলোচনা-বিলোচনা। সম্প্ৰতি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো যুবচামৰ পৰা আৰম্ভ কৰি চেমনীয়ালৈকে মূল আলোচনাৰ বিষয় হৈছে আইপিএল। জিলাখনৰ চহৰ-নগৰৰ কথা বাদেই গাঁৱে-ভূঞে থকা হাট-বজাৰ, জিৰণি চ'ৰা, চাহৰ দোকান, তিনিআলি-চাৰিআলি বা ক্লাবঘৰ আদিত চলিছে আইপিএলৰ মহাৰণৰ চৰ্চা। ক্ৰিকেটপ্ৰেমী সকলে নিজৰ অজ্ঞাতে কোনোবা দলৰ পক্ষ লৈ সেই দলৰ হৈ বিজয় কামনা কৰিছে। আনকি বহুতে, আকৌ নিজৰ নিজৰ পছন্দৰ দলৰ হৈ বাজি লগাই আইপিএল-জ্বৰত আক্ৰান্ত হৈ পৰিছে। জিলাখনৰ বিভিন্ন ঠাইত আইপিএলৰ নামত গোপনে জুৱা চলি থকা বুলিও জানিব পৰা গৈছে।


ALLEN EDUCARE

HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)

COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US
+91 78965-45243

ADMISSION GOING ON


বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি